# আলোচনী

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

১৯৯৩/৯৪



সম্পাদক

ৰাজীৱ ভূঞা

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

# আলোচনী

L.T.K. College Library
Estd 1977
Date
Azad, North Lakhimpur

## বছৰেকীয়া প্ৰকাশন ঃ ১৯৯৩-৯৪ বৰ্ষ

পঞ্চম সংখ্যা

আজাদ ঃ উঃ লক্ষীমপুৰ,, অসম

শ্ৰদ্ধাৰে/প্ৰীতিৰে

শ্ৰী ________________________

________________________ লৈ

বাহাৰুল ইছলাম, প্ৰবক্তা ইংৰাজী বিভাগ
উপদেষ্টা

শ্ৰীৰাজীৱ ভূঞা
সম্পাদক

# লঃ তেঃ কঃ মহাবিদ্যালয়ৰ আলোচনী পঞ্চম সংখ্যা (১৯৯৩-৯৪)

## সম্পাদনা সমিতি

| | |
|---|---|
| *সভাপতি* | ঃ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাই |
| *উপদেষ্টা* | ঃ অধ্যাপক বাহাৰুল ইছলাম |
| *তত্ত্বাবধায়ক* | ঃ অধ্যাপিকা চালেমা বেগম |
| *তত্ত্বাবধায়ক* | ঃ অধ্যাপক পৰশ গোস্বামী |
| *সম্পাদক* | ঃ ৰাজীৱ ভূঞা (ভাইদ) |
| *সদস্য* | ঃ স্যমন্ত কাকতি<br>শৰৎ কাকতি |
| *সদস্যা* | ঃ ৰূপা দত্ত |
| *বেটুপাত* | ঃ তপন মালাকৰ |
| *স্কেচ* | ঃ ৰাজীৱ বৰা<br>মিছেছ্ জেচমিন চুলতানা |
| *অংগ সজ্জা* | ঃ ৰাজীৱ বৰা<br>বাহাৰুল ইছলাম<br>ৰাজীৱ ভূঞা |
| *আলোক চিত্ৰ* | ঃ ভাইটি ষ্টুডিঅ', কে. বি. ৰোড, উঃ লঃ<br>দেবানজি ষ্টুডিঅ এন. টি. ৰোড, উঃ লঃ |
| *মুদ্ৰন* | ঃ কস্তুৰী প্ৰিণ্টাৰ্চ<br>নকাড়ী নগৰ<br>উত্তৰ লক্ষীমপুৰ |

উঃ লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ ৰাজীৱ ভূঞাৰ দ্বাৰা প্ৰকাশিত।

## মই কৃতজ্ঞতা স্বীকাৰ কৰিছো এই সকল ব্যক্তিৰ ওচৰত


শ্ৰদ্ধাৰ,

শ্ৰীযুত নাৰায়ন চন্দ্ৰ বৰগোহাঁই, অধ্যক্ষ, লঃ তেঃ কঃ মহাবিদ্যালয়। শ্ৰীযুত বিশ্ব বৰুৱা সভাপতি, (ভাৰপ্ৰাপ্ত) অসম সাহিত্য সভা । শ্ৰীযুত মনোজ হাজৰিকা। অধ্যাপক, ডিফু কলেজ আৰু প্ৰতিস্থাপক আচ্কা। শ্ৰীযুত বাহাৰুল ইছলাম উপদেষ্টা, আলোচনী। অধ্যাপক ঃ পৰশ গোস্বামী, ৰাজীৱ বৰা, লীলা বৰা, ৰমেশ কাকতি, হামিদুৰ ৰহমান, নাৰায়ণ গগৈ, বিদ্যুৎ চেতিয়া, দয়ানন্দ দত্ত, ৰঞ্জন কুমাৰ।

অধ্যাপিকাঃ চালেমা বেগম, এলিচ বেগম বাৰভূএগ্ৰা, সোণেশ্বৰী শইকীয়া, অঞ্জলিকা ৰাজখোৱা, জ্যোতি ৰবা।

বিশেষভাৱেঃ পোৰৱজ্যোতি দত্ত লঃ মহাবিদ্যালয়। দিগন্ত গগৈ, লক্ষীমপুৰ কেৰাটি ডু একাডেমী, প্ৰফুল্ল ভূঞা (ডিঃ বিঃ) মিছেছ্ জেচ্মিন চুলতানা।

*সতীৰ্থ ঃ* 'স্যমন্ত, শৰৎ, বিশ্বজিৎ, পুলিন, শান্তনু, ৰাজীৱ, প্ৰনৱ, চিদানন্দ, কেশৱ, ভাস্কৰ, মুহিত, জীৱন, সঞ্জীৱ, পুতুল, মনি, ক্ষিৰেশ্বৰ, সুৰেশ, হেমকান্ত, দুলুমণি, ৰীতা, মণিষা, ৰূপা, ৰুবী, কৰবী, বিজয়া, সীমা, পদুম, ৰূপা, ৰীতা, গীতা, মিনালী, জ্যোতি, জ্যোৎস্না, কৃষ্ণা, তৃষ্ণা কাকতি, মঞ্জু।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।
" " সমুহ শিক্ষা গুৰু আৰু কৰ্মচাৰীবৃন্দ।
" " আলোচনী সম্পাদনা সমিতি
" " অঙ্কুৰ সম্পাদনা সমিতি।
" " সমূহ ছাত্ৰ-ছাত্ৰী।

ভাইটি ষ্টুডিঅলৈ, দেবানজি ষ্টুডিঅলৈ, কস্তুৰী প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মচাৰীলৈ ধন্যবাদেৰে—

শ্ৰীৰাজীৱ ভূঞা

# উছৰ্গা

জ্ঞান মন্দিৰৰ সুস্থ বুনিয়াদ গঢ়োতা সেইসকল মহান ব্যক্তি যিসকলৰ অক্লান্ত
পৰিশ্ৰম,নিঃস্বাৰ্থ ত্যাগ আৰু আশা-সুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত
সময়ৰ পলসে ক্ৰমে সাৰুৱা কৰি অনা
বৰ্তমানৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ৰ'দোজ্জ্বল প্ৰভাততে
সেই সকলৰ প্ৰতি সশ্ৰদ্ধাৰে আৰু আহিব ধৰা দিনবোৰ সৰস হোৱাৰ
শুভ কামনাৰে সমূহ সতীৰ্থ, শুভাকাংক্ষী আৰু নবীন
পুৰুষৰ হাতত এই সংখ্যাৰ আমাৰ
মহাবিদ্যালয়ৰ আলোচনীখন
উছৰ্গা
কৰিলোঁ।

মুখ্যমন্ত্ৰী, অসম



# শুভেচ্ছা বাণী

ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ কালছোৱা ৰাজনীতিৰ সৈতে পোনপটীয়াকৈ জড়িত নহয়। কিন্তু এই শিক্ষাজীৱনত আহৰণ কৰা শিক্ষা-দীক্ষাই তেওঁলোকক ভৱিষ্যৎ নাগৰিক হিচাপে গঢ় লৈ উঠাত সহায় কৰে।

মহাবিদ্যালয়ৰ মজিয়াত প্ৰকাশ পোৱা আলোচনী এখনেও ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু পুষ্টি সাধনত যথেষ্ট সমল যোগায়। আলোচনীৰ পাতত লিখা বিভিন্ন প্ৰবন্ধ-পাতি আৰু অন্যান্য ৰচনাৰ যোগেদি আমাৰ তৰুণচাম সাহিত্যিক অৰ্থাৎ মহাবিদ্যালয়ৰ উঠি অহা চাম লিখক-লিখিকাৰ সৃজনীমূলক প্ৰতিভাও বিকশিত হৈ উঠে।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয় আলোচনীখনৰ পঞ্চম সংখ্যাটি প্ৰকাশৰ যো-জা কৰাটো সেই দিশৰ পৰা শলাগিব লগীয়া।

মই আশা ৰাখিছো, উক্ত মহাবিদ্যালয়ৰ আটাইৰে উমৈহতীয়া প্ৰচেষ্টাত আলোচনীখন সৰ্বাংগসুন্দৰ হৈ উঠিব।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

**হিতেশ্বৰ শইকীয়া**

দিশপুৰ, অসম
১০ মাৰ্চ, ১৯৯৫

প্ৰতি,
শ্ৰীৰাজীৱ ভূঞা
*আলোচনী সম্পাদক*
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# শুভ-ইচ্ছা

লক্ষীমপুৰৰ এল. টি. কে. কলেজৰ মুখপত্ৰখনি অলপতে প্ৰকাশ পাব বুলি জানি আনন্দ পাইছোঁ। অনুষ্ঠানৰ মুখপত্ৰখন সেই অনুষ্ঠানটোৰ দাপোন স্বৰূপ। ইয়াত গতি, প্ৰগতি আৰু শৈক্ষিক পৰিবেশৰ বৰ্ণনা থকা উচিত। আলোচনীৰ পাতত প্ৰকাশ পোৱা শিক্ষাৰ্থীসকলৰ ৰচনাত তেওঁলোকৰ অধ্যয়ন পুষ্টতাৰ পৰিচয় পোৱা যায়। এই আলোচনীত আজাদৰ ইতিবৃত্ত, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ঠাইডোখৰৰ ঐতিহ্য প্ৰকাশ কৰাৰ সমল আছে। আলোচনী সম্পাদক আৰু সম্পাদক মণ্ডলীৰ প্ৰকাশন সম্পৰ্কীয় জ্ঞানো এনে মুখপত্ৰই দিব পাৰে। শিক্ষানুষ্ঠান আৰু বাৰ্ষিক অধিবেশন উপলক্ষে প্ৰকাশ পোৱা আটাইবোৰ আলোচনী আৰু স্মৃতি গ্ৰন্থ অসমীয়া সাহিত্যৰো সম্পদ। সেয়ে ইয়াৰ প্ৰয়োজন অতি বেছি।

প্ৰকাশ পাব লগা এই আলোচনী সমৃদ্ধ সম্ভাৰেৰে সৰ্বাঙ্গ সুন্দৰ হৈ প্ৰকাশ পাওঁক-এয়ে কামনা।

**শ্ৰীবিশ্ব বৰুৱা**
*ভাঃ প্ৰাঃ সভাপতি,*
অসম সাহিত্য সভা, নাৰায়ণপুৰ।
ইং ২৫.১.৯৫ চন

# Message

*To Rajib Bhuyan*
*Magazine Secretary*
*L. T. K College*
*N. Lakhimpur*

*Dear Rajib,*

*It gives me immense pleasure to know that the college is going to publish its College Magazine. On this occassion I send my hearthy good wishes to all the students of this college; so that success comes to their way for their endeavour. College days are the most crucial time in ones life to construct himself; and I hope each and every student will try their best to do so.*

*My good wishes to all of them.*

*Yours in concern*

**M. Hazarika**
Lakhimpur

**Prof Monoj Hazarika**
Diphu College
Chief Technical Instructor
All Style Karate-Do Association, Assam.

# ।। সূচীপত্ৰ ।।


সম্পাদকীয়

*প্ৰবন্ধ ঃ*

ভাৰতৰ অৰ্থনৈতিক অৱনতিত কৰ ফাঁকি আৰু কলা টকাৰ ভূমিকা — মঃ হামিদুৰ ৰহমান /১
সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদ — শ্ৰীকেশৱ দত্ত /৩
বৰ্তমান শিক্ষা ব্যৱস্থা আৰু যুৱ মানসিকতা — শ্ৰীবল্লভ ভূঞা /৫
অগ্নিগৰ্ভা অসম আৰু ৰক্তাক্ত ভৱিষ্যৎ — শ্ৰীবসন্ত শইকীয়া /৭
অসমৰ মৃৎশিল্প বৰ্তমান আৰু ভৱিষ্যৎ — শ্ৰীবিমল চন্দ্ৰ বৰুৱা /৯
কুৰি শতিকাৰ বিয়লি বেলাত নাৰীৰ অৱস্থা — শ্ৰীইন্দ্ৰেশ্বৰ গগৈ /১১
পৰীক্ষাত নকল আৰু ইয়াৰ কাৰণ — শ্ৰীনৱকান্ত কলিতা /১২
বিশ্বকাপ '৯৪ — শ্ৰীৰূপজ্যোতি দত্ত /১৪
কাৰাটে আৰু বৰ্তমান অৱস্থাত ইয়াৰ প্ৰয়োজনীয়তা — শ্ৰীস্যমন্ত কাকতি /১৭

*গল্প ঃ*

শূণ্য — বাহাৰুল ইছলাম /২০
এটি আশাৰ মৃত্যু — শ্ৰীহেমন্ত দোলাকাষৰীয়া /২৩
আত্মগোপন — শ্ৰীসত্য ৰাজখোৱা /২৫
তিক্ততা — শ্ৰীমতী কৰবী নাথ /২৬
নিসংগ — শ্ৰীমধুস্মিতা চেতীয়া /২৯

**কবিতা ঃ**

দুখৰ দিন আৰু কিছু সংলাপ — অধ্যাপক ৰাজীৱ বৰা /৩২
বৈভৱ — অধ্যাপক শ্ৰীলীলা বৰা /৩২
জাগৃত অনুভূতি — মিচেচ এলিচ বেগ বৰভূঞা /৩৩
মুক্ত কণ্ঠেৰে — শ্ৰীহেমন্ত ভূঞা /৩৩
"সেই দিনটো যেন কোনো দিনা নাহে" — শ্ৰীগুনীন চন্দ্ৰ বৰুৱা /৩৪
সোমদিৰিৰ পাৰৰ এটি অঞ্চল — শ্ৰীমতী মণিষা শইকীয়া /৩৪
আইৰ চকুত কিয় চকুপানী — শ্ৰীপুতুল ৰাজখোৱা /৩৫
মই যদি — শ্ৰীভূপেন ৰাজখোৱা /৩৫
'৯৪ ৰ নতুন বন্দী — শ্ৰীপ্ৰদীপ দত্ত/৩৬
আমি একে পথৰে যাত্ৰী — শ্ৰীমতী নিজৰা কলিতা /৩৬
প্ৰহৰী — শ্ৰীমালিন্য গগৈ /৩৬
সংলাপ — শ্ৰীশৰৎ কাকতি/৩৭
আৰাধনা — অধ্যাপক পৰশ গোস্বামী/৩৭
বিদায় — শ্ৰীকেশৰাম নাথ /৩৮
ৰঙানদী — শ্ৰীমনোজ কুমাৰ গগৈ /৩৮

**প্ৰাচীৰ পত্ৰিকাৰ পৰা ঃ**

সমিধান — শ্ৰীপ্ৰবীন গগৈ /৩৯
উচ্চ শিখৰ — শ্ৰীমুকুত চন্দ্ৰ বড়া /৩৯

*একাঙ্কিকা নাট ঃ*

চিনা পৰিচয় — শ্ৰীমতী কৰবী সন্দিকৈ /৪০

বিভাগীয় সম্পাদক সকলৰ বাৰ্ষিক প্ৰতিবেদন /৪৫-৫৩


Pollution — **Ranjan Kumar**/56
Inspiration — **Probin Gogoi**/58

## আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ




শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই


# EDITORIAL BOARD




**PROF. SALEMA BEGAM**
MEMBER




**PRINCIPAL, N.C.BORGOHAIN.**
PRESIDENT



**PROF. PARASH GOSWAMI**
MEMBER



**PROF. BAHARUL ISLAM**
ADVISER




**RAJIB BHUYAN**
EDITOR



**SARAT KAKATI.**
MEMBER




**RUPA DUTTA**
MEMBER



**SHYAMANTA KAKATI**
MEMBER

### ।। ছাত্ৰ একতা সভা আৰু শিক্ষাগুৰু সকল।।



*বাওঁফালৰপৰা বহি ঃ* অধ্যাপিকা কল্পনা গগৈ, অধ্যাপিকা অঞ্জলিকা ৰাজখোৱা, অধ্যাপিকা চালেমা বেগম, অধ্যাপক নাৰায়ণ চন্দ্ৰ গগৈ, অধ্যক্ষ নাৰায়ণ চন্দ্ৰ বৰগোহাঁই, অধ্যাপক লীলা বৰা, অধ্যাপক বাহাৰুল ইছলাম, অধ্যাপক পৰশ গোস্বামী, অধ্যাপক বিদ্যুৎ চেতিয়া।

*থিয় হৈ ঃ* প্ৰদীপ দত্ত, অধ্যাপিকা সুৰভি গগৈ, অধ্যাপিকা ৰোণালি গোস্বামী, প্ৰবিত্ৰি বৰগোহাঁই (ছাত্ৰী জিৰণী কোঠা সম্পাদিকা), ভুবন দাস, চম্পক মহন্ত (কৃষ্টি আৰু সংস্কৃতিৰ সম্পাদক), ৰাজীৱ ভূঞা (সাহিত্য আৰু আলোচনী সম্পাদক), বিভু সোণোৱাল, হেমচন্দ্ৰ বৰা (সমাজ সেৱা সম্পাদক)।

অনুপস্থিত সম্পাদকসকল হ'ল- প্ৰণৱ শইকীয়া (সঃ সম্পাদক), ৰূপজ্যোতি দত্ত (সঃ সঃ সম্পাদক) মদন দত্ত (আন্ত ক্ৰীড়া) অতুল দত্ত (বহিঃ ক্ৰীড়া), লোহিত দাস (তৰ্ক আৰু আলোচনা চক্ৰ), চিদানন্দ দত্ত (ছাত্ৰ জিৰণি কোঠা)।

### সম্পাদনা সমিতি প্ৰাচীৰ পত্ৰিকা (অংকুৰ)



*বহি ঃ* বাওঁফালৰপৰা ক্ৰমে- অধ্যাপিকা চালেমা বেগম, অধ্যাপক নাৰায়ণ চন্দ্ৰ গগৈ, অধ্যাপক বাহাৰুল ইছলাম, অধ্যাপক পৰশ গোস্বামী।

*থিয় হৈ ঃ* মণিষা শইকীয়া, কৰবী নাথ, জীৱন নাথ, সম্পাদক ৰাজীৱ ভূঞা, সঃ সম্পাদক স্যমন্ত কাকতি, সঃ সম্পাদক শৰৎ কাকতি।

অনুপস্থিত ঃ অধ্যাপক ৰমেশ কাকতি, ভাস্কৰ চেতিয়া, ৰূপা দত্ত।


# College Week 1993-94



NIJARA KALITA
BEST SINGER



NARAYAN GOHAIN
BEST ATHLET



MADHURJYA DAS
BEST VOLLEYBALL PLAYER



MANJUMALA BHUYAN
BEST SOCIAL WORKER
(WOMEN)



RANJU DUTTA & DIGANTA DUTTA
CARROM DOUBLE CHAMPION (MEN)



BALLAV BHUYAN & PRANAB SAIKIA
First group in Quiz Competition in College week & Mr. Bhuyan best Competior of Debat & Sym, College week



PALASH RANJAN CHUTIA
Champion in Badminton Comp.
1992-93, 1993-94



MINALI CHETIA
AS GO AS YOU LIKE. 1ST PRIZE



ARUPA KHONIKAR
Champion in (Women)
Chinese Sagar



BUBUL CH. DUTTA
Best Yogashak 1992-93, 1993-94

# College Week 1993-94



**SECOND BEST SOCIAL WORKER GROUP COLLEGE WEEK 1993-94**
Standing left side : Shyamanta Kakati, Biswajit Hazarika
Sitting left : Santanu Boruah, Pranab Saikia, Rajib Bhuyan



**MISS KABITA HANDIQUE**
3rd Prize in 800 & 1500 Miter race in D. University Inter College meet. Best Actress, best Girl Athlete in college week 1993/94



**MISS JYOUTI CHETIA**
3rd Prize in High Jump Dibrugarh University inter College Meet.

# College Week 1993-94



**KARABI NATH**
2nd Best Actress 1st position in story & poem writing comp.



**SIDANANDA DUTTA**
Champion in Chinese Sagar




**JYOTSHNA KAKATI**
Champion in Badminton Comp.



**LOHIT DAS**
1st prize Assamese poetry Recitation



**MISS NIRADA KHATANIAR**
3rd Prize in 400 Miter Race
D. University Inter College meet



**SHRI PARESH PHUKAN**
D. University Inter College meet
Gold medalist in 1500 Miter Race & third in 10,000 Meter Race.



**MISS REETA NATH**
3rd Prize in 200 Miter Race. Inter College D. University



**HEMKANTA BORA**
Best participant in the "Environment awareness programme". Held under the auspicious of the deptt. of social forestry on 30.3.94 and 31.3.94



**DINANATH BORA**
Best Actor



**GUNAKANTA DUTTA**
Best Social worker
1992-93, 1993-94

# প্ৰয়োজন হৈছে আত্ম উপলব্ধিৰ

সম্পাদকীয়

*হে নতুন নমস্কাৰ*
*যুগে যুগে আহ তই*
*দেশে দেশে হাঁহ তই*
*ভোহাৰি বিদাৰি-ফালি পুৰণি সংস্কাৰ*
*হে নতুন! নমস্কাৰ।*

(জ্যোতি প্ৰসাদ)

সময় পৰিৱৰ্তনশীল। পুৰণিৰপৰা নতুনলৈ, আন্ধাৰৰ পৰা পোহৰলৈ, স্থবিৰতাৰপৰা গতিশীলতালৈ যোৱা ন-পুৰুষৰ চেতনা; পুৰণি সমাজক সংস্কাৰ কৰি নতুন সমাজক আহ্বান জনোৱাৰ সময় ছাত্ৰ জীৱন। ছাত্ৰ জীৱনৰ সাৰ্থকতা কিজানি তাতেই।

সময়ৰ পৰিবৰ্তনশীলতাই প্ৰগতিৰ কথা সূচায় যদিও সম্প্ৰতি ইয়াৰ ভাৱাৰ্থ সুকীয়া হৈ পৰিছে। এতিয়া পৰিৱৰ্তনশীল সমাজ প্ৰগতিৰ বাৰ্তা বাহক নহৈ অধোগতি আৰু সৰ্বনাশৰ মূল হৈ পৰিছে। দেশখনত এতিয়া দুপৰ ৰাতিৰ অন্ধকাৰ আৰু মৃত্যুৰ বিভীষিকাই বিৰাজ কৰিছে। ৰাজনৈতিক খাম-খেয়ালি, ধৰ্মীয় সম্প্ৰসাৰণবাদ, ক্ষুদ্ৰ জাতীয়তাবোধৰ ধাৰণা, ভাতৃঘাতি সংঘৰ্ষ অৰ্থনৈতিক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। সন্মুখত অন্ধকাৰ! যেনিয়ে চাওঁ তেনিয়ে অশ্বস্তিকৰ জীৱনৰ ছবি দেখা পাওঁ। গতিকে এনে পৰিৱৰ্তনশীলতাই কাৰ মঙ্গল সাধন কৰিব?

দেশ তথা সমাজ একোখনৰ প্ৰগতিৰ মূলতে হ'ল নিৰ্দিষ্ট সমাজক দেশখনৰ শিক্ষা ব্যৱস্থাটো প্ৰগতিশীল পৰিৱৰ্তনৰ ক্ষেত্ৰত কিমান উপযোগী তাৰ ওপৰত। কিন্তু ভাৰতীয় সমাজৰ সামগ্ৰীক ৰূপটোৰ কথা নকলেও অসমৰ সমাজত ইয়াৰ প্ৰভাৱ তেনেই দুখ লগা।

অপাৰেশ্বন ব্লেকবৰ্ড আঁচনিৰ নামত চলা অবাধ দুৰ্নীতি আৰু অনিয়মৰ কথা পুনৰ অৱগত কৰোৱাৰ প্ৰয়োজন নাই। তাতে আকৌ শেহতীয়াকৈ ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহত নিযুক্তি দিয়া এচাম শিক্ষকৰ নূন্যতম অৰ্হতাখিনিও নাই। ইয়াৰ বিষময় পৰিণতি হব ৰাজ্যখনৰ আৰু এচাম উঠি অহা অনুজ নাগৰিকক ধ্বংসৰ মুখলৈ ঠেলি দিয়া। এই ক্ষেত্ৰত সচেতন সকলোৰেই কৰণীয় বহুখিনি আছে।

অসমৰ উচ্চ শিক্ষাৰ ব্যৱস্থাটোও ঘুনে ধৰা। অসমৰ উচ্চ শিক্ষাৰ আগশাৰীৰ অনুষ্ঠানসমূহৰ কৰ্ম-কাণ্ডই বাতৰিৰ শিৰোনামা দখল কৰাতো আচৰ্যৰ বিষয়। প্ৰশ্নোত্তৰৰ বহী ৰাজপথত পৰি থকা, টোপোলা হেৰোৱা; বহী পৰীক্ষা নকৰাকৈ ফলাফল প্ৰকাশ পোৱা, পৰীক্ষা নিদিয়া বিষয়তো নম্বৰ তালিকাত নম্বৰ পোৱা, পৰীক্ষা দিয়া বিষয়ত নম্বৰ নহা ইত্যাদি এশ এবুৰি আসোঁৱাহৰ মাজত আজি অসমৰ উচ্চ শিক্ষানুষ্ঠান কিছুমান তেনেই মূল্যহীন হৈ পৰা নাইনে বাৰু? গুৱাহাটীৰ পৰা প্ৰকাশিত 'অসমবাণী' কাকতৰ (18 Nov 1994) এক প্ৰতিবেদনত ১৯৯৩-৯৪ চনৰ স্নাতক মহলাৰ প্ৰথম খণ্ডৰ ফলাফলৰ গতি-বিধি চাই আমাৰ উচ্চ শিক্ষানুষ্ঠানৰ পৰীক্ষা বিলাকে 'গ্ৰীনিজ বুক'ত অভিলেখ ৰাখিব পৰাকৈ পৰীক্ষা বিভাগে কাম কৰিছে বুলি মন্তব্য কৰিছে।

প্ৰচলিত শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা নৈতিক অৱক্ষয় আৰু ইয়াৰ পটভূমিত সমাজত সৃষ্টি হোৱা বিশৃংখল পৰিস্থিতিৰ বাৰুকৈয়ে মন কৰিবলগীয়া। জাতীয় স্বাৰ্থ সুৰক্ষিত হ'বলগীয়া বিষয়সমূহত সুবিধাবাদৰ দপদপনি, জনস্বাৰ্থৰ নামত প্ৰতাৰণা, অৰ্থনৈতিক স্বাধীনতা আৰু স্বাৱলম্বিতাৰ বিপৰীতে কেৱল ৰাজনৈতিক উদ্দেশ্য গন্ধি আন্দোলনে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হব পৰা নিৰ্দেশনা তথা উৎসৰ সন্ধান পোৱা নাযায়। এনে ব্যৱস্থাৰ বাবেই আজিও মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ পৰা ওলাই অহা লাখ লাখ নিবনুৱাই অৰ্থনৈতিক দুৰ্দশাত হাঁহাকাৰ কৰি ফুৰাৰ বৰ্ণনা নিশ্চয় নিস্প্ৰয়োজন।

সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰতো একেই অৱস্থা। পৰম্পৰাগত সাংস্কৃতিক ৰক্ষণাবেক্ষণ আৰু উত্তৰণৰ দিশত উঠি অহা নতুন চামে যিখিনি কৰিব লাগিছিল-তাৰ বিপৰীতে পশ্চিমীয়া সংস্কৃতিৰ আদৰ কায়দাৰ প্ৰতিহে বেছি আগ্ৰহান্বিত হোৱাতো মন কৰিবলগীয়া। আজি এইখন অসমতে আজান ফকিৰ, শংকৰদেৱৰ অৱদান উঁৱলী যোৱাৰ উপক্ৰম হৈছে। অৱশ্যে নতুন ধ্যান-ধাৰণা আকোঁৱালি লোৱা হয় যদিও সেয়া সম্পূৰ্ণৰূপে পৰম্পৰা বৰ্জিত হোৱাতো সমিচীন নহয়। কিয়নো পুৰণিক সম্পূৰ্ণ উপেক্ষা কৰি নতুন ধাৰণাৰে সংস্কৃতিক জীয়াই ৰাখিবলৈ চেষ্টা কৰাটো অৰ্থহীন।

সাংস্কৃতিক সচেতনতাৰ কথা মনলৈ আহোঁতে এটা কথা মানসপটত ভাঁহি উঠিছে, সেয়া হৈছে সাহিত্য। সাম্প্ৰতিক কালত সাহিত্য সম্পৰ্কে, যি ধ্যান ধাৰণাৰ উদ্ভৱ হৈছে। তাৰ ভিতৰত সাহিত্য চৰ্চাৰ বিষয়টো অন্যতম। আমাৰ ছাত্ৰ-ছাত্ৰী বা যুৱ সমাজৰ মাজত সাহিত্য চৰ্চাৰ অভাৱ অতি প্ৰকট ৰূপত দেখা যায়। যিসকলৰ মাজত সাহিত্য চৰ্চা দেখা যায় তেওঁলোকৰ পৰাও সাহিত্যৰ ভঁৰাল বিশেষ ভাৱে চহকী হব বুলি দৃঢ় ভাৱে কব নোৱাৰি। নবীন সাহিত্যপ্ৰেমী সকলৰ সৃষ্টিশীলতাৰ মাজত নেতিবাচক ইংগিতহে বেছি স্পষ্ট। সাহিত্য যিহেতু সমাজ তথা ব্যক্তি সমষ্টিৰ বৌদ্ধিক চিন্তা-চেতনা প্ৰতিফলিত কৰাৰ এটি মাধ্যম, গতিকে ইয়াৰ প্ৰতি উঠি অহা চামৰ দায়িত্বও ৰহুখিনি আছে। এই দায়িত্বৰ প্ৰতি সততে সচেতন হ'লে বৰ্তমানৰ সাহিত্য চৰ্চাৰ ৰূপটোৰ উন্নতি হ'ব আৰু অসমীয়া জাতিটোৰ বৌদ্ধিক বিকাশত যথেষ্ট সহায় কৰিব বুলি আশা কৰিব পাৰি।

বৰ্তমান মানৱ জীৱনৰ শান্তি আৰু প্ৰগতিৰ বাবে মৰণাস্ত্ৰৰ উদ্যোগ আদিৰ সলনি সাহিত্য উদ্যোগৰহে প্ৰয়োজন। এখন সমাজৰ সাংস্কৃতিক জীৱনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ মুখপত্ৰসমূহৰ সুদুৰ প্ৰসাৰী প্ৰভাৱ আছে। মুখপত্ৰ সমুহে শিশুৰ পৰা বৃদ্ধলৈকে সকলো বয়সৰ মানুহৰ মনত সাহিত্যৰ প্ৰতি অধিক আকৰ্ষণ জগাই তুলিব পাৰে। এখন মুখপত্ৰই বিভিন্ন ৰুচিৰ বিভিন্ন লিখিনৰি বিষয়ে সম্ভেদ পোৱাৰ সহায়তা কৰে আৰু সামাজিক জীৱনলৈ শুভ চিন্তাৰ পৰিবেশ কঢ়িয়াই আনে। সাহিত্য জাতিৰ দাপোন। সাহিত্যৰ যোগেদি এটা জাতিৰ কলা-সংস্কৃতিৰ, আচাৰ-ব্যৱহাৰৰ বিকাশ ঘটে। পুৰণি চাম আঁতৰি যোৱাৰ লগে লগে এচাম নতুন উদ্যমী প্ৰতিশ্ৰুতিপূৰ্ণ লেখকৰ জন্ম দি ভাষা সাহিত্যৰ এটা সুস্থ বাতাবৰণ গঢ়ি তোলাত শিক্ষানুষ্ঠানৰ প্ৰাচীৰ পত্ৰিকা, বাৰ্ষিক মুখপত্ৰ আদিৰ ভূমিকা অতুলনীয়। কিন্তু দেখা যায় যে সম্পাদকে জাননীৰ পিছত তথা ব্যক্তিগতভাৱে তাগিদা দিয়াৰ পিছতো যথেষ্ট সংখ্যক উদ্যমী প্ৰতিশ্ৰুতিসম্পন্ন লিখকৰ লিখনি পোৱা নাযায়। পোৱা খিনিৰো মানদণ্ড জুখি প্ৰেছলৈ পঠাব খুজিলে আলোচনী উলিওৱা নহয়গৈ। সেয়েহে নিৰ্দিষ্ট সংখ্যক লিখনি বাচি লৈ প্ৰায়ে সম্পাদনা কৰিহে প্ৰকাশ কৰা হয়। আৰু পৰিলক্ষিত হয় যে ভদ্ৰতাৰ মুখাপিন্ধা এচাম ছাত্ৰ-ছাত্ৰীয়ে নিজকে বিখ্যাত সাহিত্যিক হিচাপে জনমানসত প্ৰতিষ্ঠা কৰিবলৈ গৈ কিছুমান নকল বিষয়বস্তু প্ৰকাশৰ পৃষ্ঠাত জিলিকাই ৰাখিবলৈ চেষ্টা কৰে। কিন্তু ইয়াৰ দ্বাৰা সেইসকলৰ মানসিক অধঃপতনৰহে স্বৰূপ উদঘটিত হয়। সেয়েহে আমি কওঁ যে এনে লজ্জাজনক চেষ্টা কৰাতকৈ নিজৰ সৃষ্টিৰ কেইটামান শব্দ বা বাক্যৰে গঠিত এটি ঠুনুকা লেখনীতে সৃজনীশীল প্ৰতিভাৰ প্ৰকাশ কৰা ভাল। এই ক্ষেত্ৰত কবি নীলমণি ফুকনৰ এষাৰ কথা মনলৈ আহিছে। "সাহিত্য কোনো এটা বিশেষ শিক্ষাৰে শিক্ষিত মানুহৰ এক চেতিয়া সম্পত্তি নহয়। লাগে মাথো সাহিত্য প্ৰীতি, ৰুচি আৰু সৃজনীশীল প্ৰতিভা।" অৰ্থাৎ চৰ্চাৰ অভাৱ নহ'লে সকলো পৰিৱেশতে সাহিত্য সৃষ্টি সম্ভৱ।

সামাজিক ব্যভিচাৰ, যেনে- সুৰা সেৱন, পান-তামোলৰ দোকানৰ দৰে সুৰাৰ বিপনি, নাৰীদেহৰ অবাধ ব্যৱসায়, ধৰ্ষণ আদি যি দৰে বৰ্তমান সমাজত চলিব লাগিছে তাত সামাজিক মৰ্যদা সম্পন্ন লোকসকলৰ কোনো কৰণীয় নাই যেন অনুমান হয়। এই চাম ব্যক্তিয়ে নতুন চামটোক যিদৰে পথ নিৰ্দেশনা দিব লাগিছিল। সেইফেৰা কৰ্তব্যৰ প্ৰতি যেন তেওঁলোক একেবাৰে উদাসীন। গতিকে সামাজিক বিশৃংখলতাৰ বাবে নতুন চামকে কথাই প্ৰতি জগৰীয়া কৰিবলৈ গ'লে কথাতো তেনেই তুলুঙা যেনহে লাগে।

আজি নতুন চামৰ বাবে আন এক ভয়াৱহ ব্যাধি হ'ল ৰেগিং আৰু ড্ৰাগছ্ সেৱন। ৰেগিং বা চিনাকি পৰ্বই উচ্চ শিক্ষানুষ্ঠানসমূহত এনে এক ৰূপ লৈছে যত বহুতো ছাত্ৰ-ছাত্ৰীৰ জীৱন শলিতা চিৰকাললৈ নুমাই গৈছে। বহুতে সোণালী ভৱিষ্যত হেৰুৱাব লগা হৈছে। আনহাতে শিক্ষাৰ্থীৰ মাজত ড্ৰাগছ্‌ৰ ব্যৱহাৰো বৃদ্ধি হৈছে ড্ৰাগছ্ নাৰী কেলেংকাৰীত জৰিত আৰু ৰেগিঙৰ নামত শালীনতাৰ সীমা অতিক্ৰম কৰাৰ অপৰাধত অভিযুক্ত এচাম প্ৰায়ে পোহৰলৈ অহা আমি দেখিছো। এনে কৰ্ম-কাণ্ড কেৱল সমাজৰ বাবেই নহয় ই সমাজৰ প্ৰতিজন সদস্যৰ বাবেই দুৰ্ভাগ্যজনক আৰু নিন্দনীয়।

সাম্প্ৰতিক সমাজৰ প্ৰকৃত ৰূপ কি তাক সহজে উত্তৰ দিবলৈ যেনেকৈ অসম্ভৱ তেনেকৈ সমাজৰ প্ৰতিজনৰ সামাজিক দায়বদ্ধতা থাকিলেও সেয়া ব্যক্তি বিশেষে বহু সময়ত জলাঞ্জলি দিয়ে। এইটো সচেতন সকলোৰে বাবেই পৰিতাপৰ কথা। সামাজিক দায়বদ্ধতাৰ খাতিৰত বহুজন সমাজৰ বাবে আগবাঢ়ি আহিলেও এচাম সুবিধাবাদীৰ চক্ৰান্তত সকলো শেষ হৈ যায়। অসমত আজি তাৰেই ছবি প্ৰতিফলিত হৈছে। সেয়েহে সকলো সজাগ হৈ হাতত হাত ধৰি প্ৰতিবাদ কৰিব লাগিব, হয়তো প্ৰয়োজন সাপেক্ষে জীৱন দিবও লাগিব। তাৰ বাবে প্ৰয়োজন হৈছে আত্মোপলব্ধিৰ।

**শ্ৰীৰাজীৱ ভূঞা**
*সম্পাদক*

প্ৰবন্ধ

# ভাৰতৰ অৰ্থনৈতিক অৱনতিত কৰ ফাঁকি আৰু ক'লা টকাৰ ভূমিকা

মঃ হামিদুৰ ৰহমান
*মুৰব্বী অধ্যাপক*, অৰ্থনীতি বিভাগ

ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী ৰাজহৰ ভূমিকা অপৰিসীম। চৰকাৰে কৰ আৰু অনা কৰ ৰাজহৰ সহায়ত বিত্ত সংগ্ৰহ কৰে। কৰ ৰাজহ আকৌ পৰোক্ষ আৰু প্ৰত্যক্ষ হব পাৰে। ইয়াৰ ভিতৰত চাকৰিজীৱী সকলৰ পৰা লাভ কৰা আয় কৰ, বৃত্তি কৰ, শিল্প, উদ্যোগপতি, ব্যৱসায়িক গোষ্ঠীৰ পৰা পোৱা আয় কৰ, ভূমি, ৰাজহ, বিক্ৰীকৰ, আমোদ কৰ আদি অন্তৰ্ভূক্ত হৈ আছে। চৰকাৰে সংগ্ৰহ কৰা ৰাজহৰ দ্বাৰা দেশৰ প্ৰতিৰক্ষা, প্ৰশাসন, শিক্ষা, স্বাস্থ্য, অৰ্থনৈতিক উন্নয়ন, সামাজিক কল্যাণ আদি সকলো দিশতে ব্যয় কৰিব লগা হয়। গতিকে প্ৰয়োজনীয় ৰাজহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ লোকে চৰকাৰৰ নীতিমতে দিব লগীয়া সকলো কৰ কাটল, অন্যান্য ৰাজহ আদি সময়মতে প্ৰদান কৰি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি দেশক প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাত ৰিহণা যোগাব লাগে।

বাস্তৱৰ ক্ষেত্ৰত দেখা যায় যে চৰকাৰে ৰাজহ সংগ্ৰহৰ যি লক্ষ্য নিৰ্দ্ধাৰণ কৰে চৰকাৰে সেই লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হোৱা দেখা যায়। এই ক্ষেত্ৰত দেখা যায় যে দেশৰ ধনী সম্পত্তিশালী লোক, উদ্যোগপতি, ব্যৱসায়ীসকলৰ লগতে এচাম সুবিধাবাদী শ্ৰেণীৰ নাগৰিকে চৰকাৰৰ সংশ্লিষ্ট কৰ সংগ্ৰহকাৰী বিষয়া কৰ্মচাৰী সকলৰ চকুত ধুলি মাৰি চলে বলে কৌশলে নাইবা ভেটি দিয়েই হওঁক কৰ ফাঁকি দি চৰকাৰক প্ৰাপ্ত ৰাজহৰ পৰা বঞ্চিত কৰে। আনহাতে কৰ ফাঁকিৰ উপৰিও চৰকাৰী হিচাপ বৰ্হিভূত আৰু অবৈধভাৱে অৰ্জন কৰা কলা টকাৰ দ্বাৰাও চৰকাৰে প্ৰাপ্ত ৰাজহৰপৰা বঞ্চিত হয়। যেতিয়া এইদৰে সংগ্ৰহ কৰা অবৈধ টকা বা সম্পদৰ পৰিমাণ অত্যধিক হয় তেতিয়া দেশৰ বিধিগত অৰ্থনীতিৰ অন্তৰালত সমান্তৰালভাৱে অন্য এটা অবৈধ অৰ্থনীতিয়ে কাম কৰিবলৈ ধৰে য'ত চৰকাৰী হিচাপ বৰ্হিভূত উৎপাদন, উপভোগ, কৰ্মসংস্থান, চাহিদা, যোগান, বিনিময়, বিতৰণ, আদি সকলো ধৰণৰ অৰ্থনৈতিক কাম-কাজ সক্ৰিয় হৈ উঠে। ইয়াৰ ফলত দেশৰ অৰ্থনীতিত এক সংকটে দেখা দিয়ে আৰু অৰ্থনৈতিক প্ৰগতিত বাধাৰ সৃষ্টি কৰে।

দেশৰ চৰকাৰসমূহে প্ৰয়োজনীয় বিত্তৰ অভাৱত চৰকাৰী চাকৰিয়াল, শ্ৰমজীৱীসকলক সঠিক সময়ত মাহিলী বেতন, বোনাচ, প্ৰতিষ্ঠান-অনুষ্ঠান আদিৰ লগতে অন্যান্য চৰকাৰী বিত্তৰ দ্বাৰা পৰিচালিত অনুষ্ঠান প্ৰতিষ্ঠান, ঠিকাদাৰ সকলক সময়মতে অৰ্থৰ যোগান ধৰিবলৈ অসমৰ্থতা প্ৰকাশ কৰি আহিছে। প্ৰয়োজনীয় ৰাজহ দেশৰ ৰাজকোষত নথকাৰ ফলত বিদেশী পুঁজিপতি দেশৰ ওচৰত হাত পাতিবলগীয়া হয়। ই অতি পৰিতাপৰ কথা।

ভাৰতত কি পৰিমাণৰ কলা টকা আছে তাৰ অনুমানিক হিচাপ এটাৰ বাবে পৰিকল্পনাৰ আগৰ পৰাই চেষ্টা চলাই আহিছে। কিন্তু সেই সময়ত ইয়াৰ পৰিসৰ বৰ্তমানৰ দৰে বিশাল নাছিল। দ্বিতীয় পৰিকল্পনাৰ আৰম্ভণিতে প্ৰখ্যাত অৰ্থনীতিবিদ নিকোলাচ কেলদৰে কৰা এটা সমীক্ষা মতে ভাৰতৰ কৰ ফাঁকিৰ বাৰ্ষিক আকাৰ আছিল ২০০ ৰ পৰা ৩০০ কোটি টকা আৰু ১৯৫৩-৫৪ চনত কলা টকাৰ পৰিমাণ আছিল ৬০০কোটি টকা। ১৯৭১ চনত দাখিল কৰা বাংচু কমিটিৰ হিচাপত ভাৰতত কলা টকাৰ পৰিমাণ ১৯৬৭-৬৮ চনত আছিল ১৪০০ ৰ পৰা ১৫০০ কোটি টকা। ভাৰতীয় অৰ্থনীতিবিদ ৰাংনেকাৰৰ হিচাপত কৰ ফাঁকিৰ পৰিমাণ ১৯৬৯-৭০ চনত আছিল ৩০৮০ কোটি টকা।

আন্তৰ্জাতিক মুদ্ৰানিধিয়ে পৃথিৱীৰ বিভিন্ন দেশত উপাৰ্জিত কলা টকা পৰিমাণ সম্বন্ধে বৈজ্ঞানিক পন্থাৰ জৰিয়তে অধ্যয়ন কৰি দাখিল কৰা প্ৰতিবেদন অনুসৰি এই টকাৰ পৰিমাণ ভাৰতত ৫০ শতাংশ, আমেৰিকা আৰু কানাডাত ২০ শতাংশ, ৰুচিয়া আৰু গ্ৰেট বৃটেইনত ১০ শতাংশ আৰু জাপানত মাত্ৰ ৫ শতাংশ। মুদ্ৰানিধিৰ হিচাপ অনুযায়ী ভাৰতত ১৯৮৯-৯০ চনত কলা টকাৰ পৰিমাণ হ'ল ১,২৪,০০০ কোটি টকা। এই সমীক্ষাৰ পৰা দেখা গ'ল যে ভাৰতত কলা টকাৰ পৰিমাণ বিভিন্ন উন্নত দেশৰ তুলনাত সৰ্বাধিক।

ভাৰতত কলা টকা সৃষ্টি আৰু অৱস্থান সম্বন্ধে বিশ্লেষণ কৰিবলৈ গলে আমি কেইটামান কাৰণ দেখিবলৈ পাওঁ।

প্ৰথমতে, ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণ হৈছে— ভাৰতত বিস্তৃতভাবে গঢ়ি উঠা কৰ ফাঁকিৰ মানসিকতা। ভাৰতত ক্ৰমবৰ্ধমান হাৰত আৰোপ কৰা প্ৰত্যক্ষ কৰৰ বাবে কৰদাতা সকলে নানা ধৰণৰ আইনৰ সুৰোঙা উলিয়াই কৰ ফাঁকি দিয়াৰ চেষ্টা কৰে। যাৰ ফলত দেশত কলা টকাৰ পৰিমাণ বৃদ্ধিত ইন্ধন যোগাইছে।

দ্বিতীয়তে, দেশত বস্তুৰ যোগানত নাটনি আৰু বিভিন্ন বস্তুৰ যোগানত চৰকাৰী নিয়ন্ত্ৰণ আৰু ৰেচন ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ফলত বিস্তৃত আকাৰত কলা বজাৰ সৃষ্টি হৈছে আৰু ইয়াৰ দ্বাৰা দেশত কলা টকাৰ যোগান বৃদ্ধি পাইছে।

তৃতীয়তে, ৰাজনৈতিক দল সমূহলৈ আগবঢ়োৱা সম্পদ বা অৰ্থ দান অবৈধ বুলি ঘোষণা কৰা হৈছে তথাপিও বাণিজ্যিক সংস্থা আৰু ডাঙৰ ডাঙৰ ব্যৱসায়ীসকলে সাধাৰণ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহলৈ গোপনে যোগান ধৰা ধনৰ বাবে ক্ষমতাত অধীষ্ঠিত হোৱাৰ পিছত লাভ কৰা লাইচেন্স, পাৰ্মিট আদিৰ জৰিয়তে অবৈধভাৱে সেই ধন সংগ্ৰহ কৰা কাৰ্য্যত লিপ্ত হয়। এই ক্ষেত্ৰত যদি কোনোবাই প্ৰতিবাদ কৰে তথাপিও বহু সময়ত ৰাজনৈতিক নেতাৰ হস্তক্ষেপত একো কৰিব নোৱাৰে।

চতুৰ্থতে, কৰ বিভাগৰ প্ৰশাসনীয় যন্ত্ৰ দুৰ্বল আৰু ক্ষমতাহীন হোৱাৰ সুযোগ গ্ৰহণ কৰাৰ বাবে দেশত কলা টকাৰ প্ৰচলন অত্যধিক বৃদ্ধি পাইছে।

এনেবোৰ কাৰণৰ উপৰিও কলা ধন উপাৰ্জন কৰাৰ ক্ষেত্ৰত চৰকাৰী বেচৰকাৰী আমানত কেলেংকাৰী, বৰ্ফচ কেলেংকাৰী এল অ' চি কেলেংকাৰী আদিৰ দৰে ঘটনা একেবাৰে নগণ্য ঘটনাত পৰিণত হৈছে। কৰ বিভাগৰ চকুত ধূলি দি অবৈধভাৱে কলা ধন অৰ্জনকাৰী বহুতো বিষয়া কৰ্মচাৰীৰ ৰহস্য উৎঘাটন হবলৈ এতিয়াও বহু বাকী আছে।

ক্ৰমবৰ্ধমান গতিত বৃদ্ধি হোৱা কৰ ফাঁকি, কলা টকা আদি ৰোধ কৰিবৰ বাবে চৰকাৰে "স্বতঃপ্ৰবৃত্ত গুপ্ত ধন প্ৰকাশ" নামে এক আঁচনি যুগুত কৰা হৈছিল যিটোক ইতিপূৰ্বে ১৯৫০ চন, ১৯৬৫ চন আৰু ১৯৭৫ চনত তিনিবাৰ প্ৰয়োগ কৰা হৈছিল। পৰৱৰ্তীকালত ১৯৮১ চনত "বিয়েৰাৰ বণ্ড" নামেৰে আন এখন আঁচনি প্ৰৱৰ্তন কৰে।

এই আঁচনি সমূহৰ দ্বাৰা দেশত কোনো ধৰণৰ উল্লেখযোগ্য সাফল্য লাভ কৰিব পৰা নাই। সেয়ে ১৯৯১-৯২ চনৰ বাজেটতো কলা টকা নিয়ন্ত্ৰণ কৰিবলৈ কেইটামান বিশেষ ব্যৱস্থা হাতত লৈছিল। সেইবোৰৰ ভিতৰত সৰ্বাধিক উল্লেখযোগ্য ব্যৱস্থা হ'ল "ৰাষ্ট্ৰীয় আভাস বেংক" আঁচনি। এই আঁচনি অনুসৰি আবাস বেংকত জমা দিয়া কলা টকাৰ উৎস সম্বন্ধে কোনো ধৰণৰ প্ৰশ্ন অথবা অনুসন্ধান কৰা নহ'ব।

বৰ্তমানলৈকে চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহৰ উপৰিও চৰকাৰে আৰু কেইটামান পদক্ষেপ হাতত লোৱাৰ প্ৰয়োজন আছে। সেই পদক্ষেপসমূহৰ ভিতৰত কৰ ফাঁকি দিওঁতা বা অবৈধ উপায়েৰে ধন অৰ্জন কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা, ক্ৰ প্ৰশাসন বিভাগৰ দক্ষতা বৃদ্ধি কৰা, কলা ধন থকা গোপন স্থানত সঘনে তালাচী চলোৱা ইত্যাদি। ইয়াৰোপৰি সকলো ধৰণৰ ঘোঁচ খোৱা, দুৰ্নীতি কৰা, কৰ প্ৰদানত বিমুখতা, কলা বজাৰ, চোৰাং ব্যৱসায়, অত্যাধিক বিলাসী জীৱন যাত্ৰা ইত্যাদিৰ বিৰুদ্ধে এক বৈপ্লৱিক জনমত গঢ়ি তুলিব লাগে, যাৰ ফলস্বৰূপে অপৰাধীসকলক চিনাক্ত কৰি সমাজৰ আগত দেখুৱাব লাগে যাতে ইয়াৰ দ্বাৰা ভৱিষ্যতে এনে অপকৰ্মৰপৰা তেওঁলোক বঞ্চিত হয় আৰু লগতে সমাজেও এনে অপকৰ্মৰপৰা ভৱিষ্যতে বিৰত থাকিব বুলি আশা কৰিব পাৰি। □

## কুইজ

১। কি মাছে গছত বাহ সাজে?

উত্তৰ ঃ "স্পিডল" নামৰ এবিধ কাৰৈ জাতীয় মাছে।

২। সৰ্ব্ব প্ৰথম ভাৰতীয় বোলছবি কি?

উত্তৰ ঃ ১৯৩০ চনত বোম্বাইত "ইম্পিৰিয়েল ষ্টুডিঅ'ই নিৰ্ম্মান কৰা বোলছবি আলম আৰা।

শ্ৰীদীপিকা সন্দিকৈ
*স্নাতক দ্বিতীয় বাৰ্ষিক*

১। ইউৰোপত জন্মি, এচিয়াত মৃত্যুবৰণ কৰি আফ্ৰিকাত কবৰস্থ হোৱা ৰজাজনৰ নাম কি?

উত্তৰ ঃ আলেকজেণ্ডাৰ দি গ্ৰেট।

২। কি খেলৰ বাবে বৃহৎ এখন খেল পথাৰৰ আৱশ্যক?

উত্তৰ ঃ "পলো' খেলৰ বাবে।

শ্ৰীৰীতামণি কলিতা
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

# সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদ

**শ্ৰীকেশৱ দত্ত**

*স্নাতক ১ম বাৰ্ষিক*

তোমাৰ এন্ধাৰ নাশিবলৈ তোৰ বুকুতেই বিপ্লৱী হৈ জাগিম" আজীৱন সংগ্ৰামৰ পথেৰে আগবাঢ়ি যোৱা সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে গাইছিল এই গীত। এই মহান শিল্পী গৰাকীৰ ভূমিকা আছিল অতুলনীয়।

জ্যোতিদেৱৰ উজ্জ্বল ব্যক্তিত্ব আছিল বহুমুখী। এপিনে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক কৰ্মজীৱনৰ ব্যস্ততা আৰু আন পিনে শিল্প সংস্কৃতিৰ সাধনা। জ্যোতিপ্ৰসাদৰ জীৱনৰ এই দ্বৈত প্ৰেৰণাৰ মাজত নাছিল কোনো বিৰোধ। বৰং আছিল এক বিৰল সমন্বয়।

শিল্পী হিচাপে তেওঁ আমাক দি গ'ল এটি সুমধুৰ গীতৰ মালঞ্চ। কবি হিচাপে তেওঁ আমাক দি গ'ল সংবেদনশীল এটি কবিতাপুঞ্জ, নাট্যকাৰ হিচাপে তেওঁ ৰচি গ'ল এক বুজন সংখ্যক মঞ্চৰ উপযোগী নাটক; লেখক হিচাপে তেওঁ আমাৰ মাজত এৰি থৈ গ'ল গুটিদিয়েক চিন্তাৰ ঢৌ। কথাছবি জগতত তেওঁ দি গ'ল অসমীয়াৰ স্থায়ী অৱিহণাৰূপে চিত্ৰবন। তেওঁৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ত সতী জয়মতীৰ আদৰ্শ, অন্যায়ৰ বিৰুদ্ধে থিয় দিয়া অসমীয়া ডেকাৰ গৰ্জন আৰু পৰ্বত্-ভৈয়ামৰ সম্প্ৰীতি স্থাপন কৰা ডালিমীৰ চৰিত্ৰ ৰূপায়িত কৰি ভাৰতবৰ্ষক জনাই গল অসমীয়া এটা ঐতিহ্যপূৰ্ণ জাতি ।

জ্যোতি আছিল স্ৰষ্টা আৰু দ্ৰষ্টা। আমাৰ জাতীয় জীৱনৰ প্ৰত্যেক অঙ্গলৈ নৱ প্ৰাণৰ জোৱাৰ আনি দিব পৰা প্ৰেৰণাৰ উৎস, গণ জীৱনৰ অন্তৰঙ্গ সম্পদ। তেওঁ আছিল মোহনীয় ৰূপকাৰ, শিল্পী আৰু খনিকৰ। জ্যোতি প্ৰসাদ আছিল হাড়ে হিমজুৱে শিল্পী। প্ৰকৃত শিল্পী সদায় বিপ্লৱী। কাৰণ নতুন ৰচনা কৰিবলৈ নতুন পথেদি যাবলৈ, বিপ্লৱী মনোভাব আৰু সাহসৰ প্ৰয়োজন। ব্যক্তি আৰু ঘটনাৰ অন্তৰঙ্গতাত শিল্পী সত্তাৰ ৰূপান্তৰ ঘটে। সূচনা হয় সংগ্ৰামৰ। সেয়ে জীৱনৰ আন এটা নাম সংগ্ৰাম। জ্যোতিপ্ৰসাদ আছিল যুগৰ জ্যোতি, ৰূপতীৰ্থৰ যাত্ৰী। কিন্তু এইবোৰৰ উপৰিও জ্যোতিপ্ৰসাদ আছিল এজন সংগ্ৰামী শিল্পী।

জ্যোতিপ্ৰসাদে এখন স্থবিৰ সমাজক গতি প্ৰদান কৰিব বিচাৰিছিল। এই গতি প্ৰদানৰ মাধ্যম আছিল বিপ্লৱ আৰু এই বিপ্লৱৰ মাধ্যম আছিল অহিংসা। লুইতপৰীয়া ডেকা শক্তিক তেওঁ আমন্ত্ৰণ জনাইছিল- "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই" বুলি বিজয় গৌৰৱেৰে ঘোষণা কৰিছিল।

পুৰণিক নাশ কৰি নতুন সৃষ্টিৰ বীজ ৰোপন কৰিবৰ বাবে তেওঁৰ হৃদয়ত আছিল প্ৰৱল হেঁপাহ

"ৰূপান্তৰেহে মাথো জগত ধুনীয়া কৰে  
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।"

"সুন্দৰ কোঁৱৰ"ৰ মুখেৰে কোৱা প্ৰলয় হব হওক প্ৰলয়ৰ প্ৰয়োজন হৈছে। শতাব্দী জুৰি স্তুপীকৃত হৈ থকা আৱৰ্জনাবোৰ ধুই পখালি সমাজক নিৰ্মল আৰু পৱিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে। মই সেই প্ৰলয়ক মোৰ জীৱনলৈ মোৰ সমাজৰ জীৱনলৈ আহ্বান কৰিছোঁ।" এই সংলাপ কেৱল সুন্দৰ কোঁৱৰৰ মুখেৰে নিৰ্গত হোৱা সংলাপ নহয়। এয়া সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদৰ অন্তৰপৰা বাহিৰ হোৱা সনাতন বাণী। সকলোবোৰ লিখনীৰ মাজেৰে তেওঁ চিৰ বিপ্লৱ আহ্বান কৰিছিল। অসমত এটি নৱ জাগৰণৰ যুগত অগ্নিমন্ত্ৰত দীক্ষা গ্ৰহণ কৰি "লুইতৰ পাৰৰ ডেকা লৰাৰ" "মুকুতিৰ মহান বেদীত" কলিজাৰ ৰক্ত কমলেৰে পূৰ্ণাহুতি দিবলৈ আহ্বান জনাইছিল।

বৈপ্লৱীক নেতৃত্বৰে জাতিক জগাই তুলিব পৰা জ্যোতিপ্ৰসাদ আছিল সঁচা নেতা। ভাৰতৰ বুকুৰপৰা বিদেশী শাসকক বহিষ্কাৰ কৰিবৰ বাবে তেওঁ তেজোদীপ্ত গীত কবিতা ৰচনা কৰিছিল। এই গীত কবিতা বিলাকত তেওঁৰ শিল্পী সত্তাৰ অন্তৰালত থকা সংগ্ৰামী ভাৱধাৰা বাষ্পৰ দৰে উৰিছিল-

"তই কৰিব লাগিব অগ্নিস্নান  
সাজু হ সাজু হ নৱ জোৱান।  
বুকুৰ তেজেৰে ধুই দে অ' আজি  
ভাৰতৰ অপমান।"

তেওঁৰ দেশপ্ৰেমমূলক কবিতাই মানুহৰ মনত এক নতুন

শিহৰণ তুলিলে। চিন্তা গধুৰ প্ৰবন্ধৰাজিয়ে জন সাধাৰণৰ মাজত চেতনাৰ সঞ্চাৰ কৰিলে। তেওঁৰ জনতাৰ শক্তিৰ ওপৰত গভীৰ আস্থা আছিল। সেয়ে তেওঁ জনতাৰ জয়গান গাইছিল।

"বিপ্লৱী হৈ জাগিম

পোহৰলৈ তোক নিবলৈ

তোৰেই আশীষ মাগিম।"

জ্যোতিপ্ৰসাদে সংস্কৃতিৰ লগত বিপ্লৱৰ সম্বন্ধ আৰু বিপ্লৱৰ মাধ্যমেৰে সংস্কৃতি ৰক্ষাৰ ওপৰত জোৰ দিছিল। এই বিপ্লৱ এয়ে যে যি বিপ্লৱে আনি দিয়ে সমাজলৈ সংস্কৃতিৰ জোৱাৰ। জ্যোতিপ্ৰসাদে দলিত, নিষ্পেষিত জনতাৰ হৈ গাণ্ডীৱ ধাৰণ কৰিছিল। নৰনাৰায়নৰূপী জনতাক ছলাহী কথাৰে আভুৱা ভাবিব খোজা নেতাসকলক তেখেতে ব্ৰজ কণ্ঠে সাৱধান কৰি গৈছে-

"ৰাষ্ট্ৰনীতিৰ, সমাজনীতিৰ, ৰাজনীতিৰ, অৰ্থনীতি তোৰ
থৈ দে ফোপোলা জ্ঞান,
জনতা পূজাৰ ভাওঁ দি ভাওঁ দি
নেদেখুৱাবি তোৰ অহংকাৰৰ নেতৃত্বাভিমান,
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান সাৱধান।"

অস্ত্ৰৰ গৰ্জন, ঝনঝন শুনি শৰাইঘটীয়া অসমবাসীক জ্যোতিপ্ৰসাদে সোঁৱৰাই দিছিল ঃ

"তই অসমীয়া
শৰাঘটীয়া
তই যে অগ্নিবীৰ্য
জ্বলি উঠ নৱ সূৰ্য্য।"

কলা সংস্কৃতিৰ ৰণক্ষেত্ৰত জ্যোতিপ্ৰসাদ আছিল সব্যসাচী। সেয়ে তেখেতে কৈছিল--

"এহাতেৰে মই
বগা পদুমেৰে
পূজা কৰো সুন্দৰৰ
আনটি হাতেৰে
চলাই অস্ত্ৰ
ৰোধ কৰি যাওঁ অবিচাৰ য'ত।"

জ্যোতিপ্ৰসাদে জনতাৰ মাজত নিজকে বিলাই দিছিল। জ্যোতিপ্ৰসাদে বিপ্লৱী কণ্ঠে, উদাত্তকণ্ঠে শিল্পীক জনতাৰ মাজত থিয় দিবলৈ মুক জনতাৰ মুখত ভাষা দিবলৈ আহ্বান কৰিছে- "যি জনতাই সদায়ে, দুস্কৃতিৰ আক্ৰমণত কেঁচুৱাতে ধ্বংস হব খোজা সংস্কৃতি নিজৰ বুকুত সোমোৱাই তুলি তালি ডাঙৰ দীঘল কৰে। যি জনতাই সদায়েই সংস্কৃতিৰ পৰাজয় হলেই দুস্কৃতিৰ অত্যাচাৰ মূৰ পাতি লব লগা হয়। যি জনতাই অন্তৰত সংস্কৃতিলৈ মৰম নুনুমুৱা বেলিৰ দৰে সদায় জ্বলি থাকে, যি জনতা সংস্কৃতিৰ বাঁহীত চিৰকালেই মুগ্ধ, যি জনতাৰ চকু পানীয়েই সংস্কৃতিৰ নিৰ্মল গাত দুস্কৃতিয়ে সানি দিয়া মলিবোৰ ধুৱাই পখলাই নিকা কৰি ৰাখে, যি জনতাই দেখা মাত্ৰকে সংস্কৃতিক চিনি পায় থাকে, যি জনতাই নিজৰ বুকুৰ তেজ যুগে যুগে দিয়ো সংস্কৃতিক জীয়াই ৰাখি দুস্কৃতিৰপৰা সিহঁতৰ যাউতীযুগীয়া দুখ-কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পীয়েই প্ৰথমে সকলো ভয়, দুৰ্বলতা, ভ্ৰান্তি গচকি, খচকি সুকুমাৰ কলাৰ অস্ত্ৰলৈ সেই দুৰ্ভগীয়া জনতাৰ মাজত থিয় হব লাগিব মোহমুক্ত অৰ্জুন যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে--।

সংগ্ৰামী জ্যোতিয়ে জনগণৰ পূজা নিতৌ নিত্য নতুনকৈ পাতিবলৈ মানস কৰিছিল। ন্যায় নীতিৰ মাজেদি সুস্থ জাতি এটা গঠন কৰি দুস্কৃতিৰ অক্টোপাচৰ গ্ৰাসৰ পৰা মুক্ত এদল মানুহৰ এখন সুবিশাল পৃথিৱীৰ সপোন দেখা জ্যোতিপ্ৰসাদৰ কোনো কালে মৃত্যু হব নোৱাৰে। তেওঁ মৃত্যুঞ্জয়ী অমৰ। সমকালিন পৰিস্থিতিত পুনৰ আজি জাতীয় জীৱনৰ তেনে এক গভীৰ আশাবাদ, নিষ্ঠা অগ্নিময় কণ্ঠ, দীপ্ত প্ৰেৰণাৰ বাণী বৰিষণ কৰিবৰ কাৰণে জ্যোতি প্ৰসাদৰ সেই দিগন্ত প্ৰসাৰী আদৰ্শৰ প্ৰয়োজন হৈ পৰিছে।

জ্যোতিৰ আলোক সন্ধানী মনীষাই এখন নিষ্পেষণহীন মঙ্গলময় ৰাষ্ট্ৰ আৰু জগতৰ যি সপোন দেখিছিল সেই স্বপ্ন হয়তো এতিয়া নহলেও কেতিয়াবা দিঠকত পৰিণত হব। তাৰ কাৰণে-

"আমি কৰিব লাগিব পৃথিৱী আলোকময়
জ্ঞান বিজ্ঞানৰ সকলো ধৰ্মৰ
নানা আদৰ্শৰ নানা বিভেদৰ
কৰিব লাগিব মহান সমন্বয়
কৰিব লাগিব গোটেই জগত
অমৃত আনন্দময়।

# বৰ্তমান শিক্ষা ব্যৱস্থা আৰু যুৱমানসিকতা

শ্ৰীবল্লভ ভূঞা
স্নাতক ২য় বৰ্ষ

এটি সুন্দৰ আৰু সু-বৃহৎ অট্টালিকা নিৰ্মাণ কৰিবলৈ অতি প্ৰয়োজনীয় উপাদান হ'ল ইটা, বালি, লো, শিল, ইত্যাদি। এই যাৱতীয় উৎকৃষ্ট উপাদান থকা স্বত্ত্বেও যদি অট্টালিকা নিৰ্মাণ কাৰ্য্যত ব্যৱহাৰ হোৱা চিমেণ্টৰ গুণ ভাল নহয়, তেন্তে সুন্দৰ অট্টালিকাটো দীৰ্ঘস্থায়ী হোৱা মুঠেও সম্ভৱ নহয়। বেয়া চিমেণ্ট ব্যৱহাৰৰ দ্বাৰা নিৰ্মিত অট্টালিকাটোৰ চাদবোৰ ভয়ংকৰ যমৰ দৰে মূৰৰ ওপৰত ওলমি থাকে। ঠিক সেইদৰে এখন সুশৃংখলাবদ্ধ সমাজ গঠন কৰিবলৈ হ'লে প্ৰয়োজন হয় নৈতিক চৰিত্ৰবান যুৱক-যুৱতীৰ। সুশৃংখল সমাজ গঠনৰ বাবে নিয়োজিত যুৱক-যুৱতীসকলৰ মানসিক মানদণ্ড যদি নিম্নখাপৰ হয়, তেনেহলে এখন শুদ্ধ ও সবল সমাজ গঠন হব নোৱাৰে। আৰু স্খলিত যুৱ শক্তিৰ ভীৰ হোৱা সমাজখন বিপদজনক মৃত্যুৰ দৰে সভ্যতাৰ মূৰৰ ওপৰত ওলমি থাকে।

আজি পৃথিৱীৰ প্ৰায় সকলো দেশকে সকলো দিশতে কঁপাই তুলিছে উশৃংখল যুৱ মানসিকতাই। কিন্তু ইয়াৰ বাবে আমি কেৱল এচাম যুৱককে দোষাৰোপ কৰিলে নহব। যুৱক-যুৱতীসকলৰ মাজত যি সৎ-সাহস আৰু উদাৰতা, সমাজৰ প্ৰতি দায়ৱদ্ধতা থাকে তাৰ প্ৰয়োগৰ ক্ষেত্ৰ নোপোৱাৰ বাবেহে তেওঁলোকৰ এনে বিভ্ৰান্তিমূলক ধ্বংসাত্মক দিশটো প্ৰকট হৈ উঠিছে। সৎ আৰু প্ৰেমময় পৰিস্থিতিত সুশিক্ষাৰে কাম কৰিবলৈ সুযোগ পালে তেওঁলোকে নিশ্চয় জগতক আদৰ্শনীয় কাম কৰি দেখুৱাব। প্ৰকৃত শিক্ষাৰ অবিহনে আমি ইয়াৰ আশা সমূলি বাঞ্চা কৰিব নোৱাৰো। বৰ্তমান সমাজৰ শিক্ষা বৃত্তিমুখী হৈ পৰিছে, যাৰ ফলত যুৱকসকল আধ্যাত্মিক, নৈতিক আৰু প্ৰকৃত শিক্ষাৰে শিক্ষিত হব পৰা নাই। আজিৰ সমাজৰ প্ৰকৃত শিক্ষাৰ অৱনতি হোৱাৰ লগে লগে মানৱীয় প্ৰমূল্যবোধ আৰু মানৱতাৰ সূক্ষ্ম চেতনা লোপ পাইছে। প্ৰকৃত শিক্ষাৰে শিক্ষিত নোহোৱাৰ বাবে বৰ্তমানৰ যুৱ সমাজ আজি দিশহাৰা। যুৱক-যুৱতীসকলৰ আত্মিক শান্তি যি আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই দিব পৰা নাই, সেইয়া কেৱল মাত্ৰ সু-শিক্ষা আৰু আধ্যাত্মিক সাধনাৰ জৰিয়তে পোৱা যাব বুলি আশা কৰিব পাৰি। বৰ্তমান যুৱ মানসিকতাক উচিত শিক্ষাৰ জৰিয়তে আধ্যাত্মিকতাক চেতনাৰে উদ্বুদ্ধ কৰিব নোৱাৰিলে অমৃত-পুত্ৰ মানৱৰ ভৱিষ্যৎ অন্ধকাৰময় হব।

আজি যুৱসমাজ আধুনিক বিজ্ঞানৰ আচৰ্য্যজনক আৱিষ্কাৰৰ দ্বাৰা অলংকৃত হোৱা স্বত্ত্বেও বিভিন্ন স্তৰত বিভিন্ন সমস্যাৰে জৰ্জৰিত। সামাজিক, পাৰিবাৰিক, ৰাজনৈতিক আদি নানা সমস্যাই যুৱ সমাজখনক ক্ৰমে ক্ৰমে গ্ৰাস কৰি আনিব লাগিছে। যদিও কালৰ কুটিল প্ৰভাৱৰ ফলতে মৰণমুখী এই সমস্যাসমূহৰ দ্বাৰা যুৱ সমাজ মহা বিপৰ্যয়ৰ সন্মুখীন হৈছে, তথাপিও নিস্বাৰ্থভাৱে নিষ্ঠা, ধৈৰ্য্য আৰু আন্তৰিক আদৰ্শৰে সুশিক্ষাৰ যোগেদি কৰ্ম কৰি গ'লে নিজক তথা যুৱ সমাজক ৰক্ষা কৰিব পৰা হ'ব। দুৰ্নীতিমুক্ত সৎ জীৱন-যাপনৰ শিক্ষা থকা নানান গ্ৰন্থৰ অভাৱ আজিৰ যুৱ সমাজে উপলব্ধি কৰা নাই। অভাৱ হৈছে সৎ চিন্তাৰ, অভাৱ হৈছে সুশিক্ষাৰ, স্খলন হৈছে নৈতিকতাৰ, পতন হৈছে মানৱতাৰ। সেয়ে আজিৰ যুৱ-সমাজ দিকভ্ৰান্ত পথিক। মহা সমুদ্ৰত বঠাহীন এখন তুলুঙা নাও সদৃশ এটা লক্ষ্যহীন গতি।

পৌৰাণিক ধৰ্মীয় শাস্ত্ৰৰপৰা আমি ভাৰতবৰ্ষৰ উন্নত মানদণ্ডৰ কথা জানিব পাৰো শিক্ষাই আধ্যাত্মিক জ্ঞানৰ মূল ভঁৰাল। এই ভাৰতবৰ্ষই যুগে যুগে, সমগ্ৰ বিশ্বৰ বাবে সৃষ্টি হোৱা সন্ধিক্ষণতে অহিংসা, সত্য, শান্তিৰ মহাবাণী বিলাই তাপ, শোক দূৰ কৰি আহিছে। ভাৰতবৰ্ষ যে প্ৰকৃত শিক্ষা আৰু আধ্যাত্মিক জ্ঞানৰ মূল উৎস এই কথা বিশ্বৰ সকলো সচেতন সমাজ গৱেষকে একমত পোষণ কৰিছে।

কিন্তু বৰ্তমান সময়ত প্ৰকৃত শিক্ষাৰ অভাৱৰ হেতু যুৱ মানসিকতাই বিকৃত ৰূপ ধাৰণ কৰিছে আৰু ইয়াৰ লগে লগে বৃদ্ধি পাইছে অপৰাধ প্ৰৱনতা। বৰ্তমান যুগত যুৱক সকলৰ অন্তৰৰ পৰা দয়া-মমতা আদি সৎ গুণবোৰ "কৰ্পুৰৰ" দৰে উৰি গৈছে। ধন, সোণ, টকা-পইচা, সুখ-স্বাছন্দ্য আদিৰ মানৱ দেহটোৰ ইন্ধন স্বৰূপ হৈ পৰিছে। ইয়াৰ ফলত সমাজৰ এচাম যুৱকে মানসিক শান্তি হেৰুৱাই পেলাইছে। মানসিক শান্তি লাভৰ বাবে বিভিন্ন যুৱকে অসৎ উপায়ৰ আশ্ৰয় লোৱাত চূড়ান্ত অধঃপতন অৱস্থালৈ অৱনমিত হৈছে। নৈতিক শিক্ষাও নৈতিক জ্ঞানৰ অভাৱৰ বাবে আজিৰ ছাত্ৰ সমাজ বা যুৱ-সমাজত এনে আত্ম-সংযমহীনতাই দেখা দিছে। নানান

অপৰাধমূলক কাৰ্য্য-কলাপ, ডকাইটি, প্ৰৱঞ্চনা, চোৰাং ব্যৱসায়ী, বে-আইনী কাৰ্য্য-কলাপ আদিৰ লগতে নাৰী নিৰ্য্যাতন, নাৰী ও যুৱতী ধৰ্ষণ ইত্যাদি বিভিন্ন অপৰাধপ্ৰৱণ মানসিকতাই আত্ম প্ৰকাশ কৰিছে। এনে এক পৰিস্থিতিৰ মূল কাৰণ হ'ল শিক্ষা প্ৰতিষ্ঠান বিলাকত আজিকালি শৃংখলাবদ্ধতা কমি গৈছে। কটকতীয়া শাসন ব্যৱস্থা একেবাৰে শিথিল হৈ পৰিছে। ইয়াৰপৰাও শৃংখলা ভংগৰ প্ৰৱনতা বৃদ্ধি পাইছে। আইন শৃংখলা আৰু সামাজিক বান্ধোন অত্যন্ত শিথিল হোৱাৰ বাবে এই বিলাক অপৰাধ সঘনাই সংঘটিত হৈছে। যৌন উদ্দীপক বোলছৱি প্ৰদৰ্শন অভিভাৱকসকলৰ দায়িত্ববোধহীনতা আৰু সহজলভ্য অৰ্থৰ ফলতেই আজিৰ যুৱ সমাজে এনে অপৰাধমূলক কাৰ্য্যত দ্ৰুত গতিৰে আগবাঢ়ি গৈছে।

আলোচক সকলে বৰ্তমান পৰিস্থিতিৰ হেতু শিক্ষা ও যুৱ মানসিকতাৰ সম্বন্ধে বিস্তৃতভাৱে চিন্তা-চৰ্চা, আলোচনা-বিলোচনা কৰিছে। যুৱ-সমাজৰ উত্তৰোত্তৰ উন্নতিৰ কামনাৰ হেতু এনে চিন্তা-চৰ্চা কৰাতো মঙ্গলজনক। কিন্তু প্ৰতিবিধানৰ একো ব্যৱস্থা নথকা হেতু ইয়াৰ পৰা কোনো ধৰণৰ লাভাম্বিত হ'ব পৰা নাই। আজিৰ যুৱ-সমাজ নানান সামাজিক স্খলনৰ কাৰণে যুৱ অপৰাধৰ মাত্ৰা দিনকদিনে বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে।

পুত পুন্যক্ষেত্ৰ এই ভাৰতবৰ্ষতে আজি সামাজিক উত্তৰণৰ ক্ষেত্ৰত এক স্থবিৰতা আহি পৰিছে। দেশৰ পূৰ্ণ গতিৰ বিশৃংখল প্ৰভাৱে আমাৰ অসম মুলুকৰ বিশেষকৈ যুৱ-সমাজক আগুৰি ধৰিছে। আজিৰ যুৱ সমাজত নৈতিক শিক্ষা, নৈতিক মানৱীয় প্ৰমূল্যসমূহৰ অভাৱ সকলোৰে পৰিলক্ষিত হৈছে, সকলোৱে এইক্ষেত্ৰত এক হতাশাত ভুগিছে । কিন্তু এই হতাশা আৰু বিশৃংখলতা আমি নাইকীয়া কৰিব লাগিব। মানুহৰ চৰিত্ৰ সজ আৰু সু-সভ্য কৰা মূল ভেটি হ'ল নৈতিক শিক্ষা আৰু আধ্যাত্মিক জ্ঞান। এই জ্ঞান আৰু শিক্ষাই মানুহক সৎকৰ্মৰ বাবে প্ৰেৰণা দিয়ে আৰু অসৎ কাৰ্যৰপৰা আঁতৰাই ৰাখে। এনে ধৰণৰ জটিল সময়তে যুৱ সমাজত নৈতিক শিক্ষা বীজৰ যোগেদি আধ্যাত্মিকভাৱে উদ্বুদ্ধ কৰি তুলিব লাগিব। যুৱক সকলৰ অন্তৰাত্মাক জাগ্ৰত কৰি বিশ্বত শান্তি স্থাপন কৰিবলৈ যত্ন কৰিব লাগিব। তেতিয়াহে প্ৰকৃতাৰ্থত আমাৰ সমাজখনে অগ্ৰগতিত পূৰ্ণতা অৰ্জন কৰিব।

## কুইজ

**শ্ৰীজীৱন চন্দ্ৰ শৰ্ম্মা**

*স্নাতক দ্বিতীয় বাৰ্ষিক*

১। পৃথিৱীৰ প্ৰথম দৈনিক বাতৰিখনৰ নাম কি?

উত্তৰ ঃ এক্টা ডায়না।

**শ্ৰীপ্ৰেমধৰ শইকীয়া**

*স্নাতক দ্বিতীয় বাৰ্ষিক*

১। কিতাপৰ ৰূপত প্ৰকাশ পোৱা অসমীয়া কথা ছবিৰ প্ৰথম চিত্ৰনাট্য–

উত্তৰ ঃ চিকমিক বিজুলী – ড° ভূপেন হাজৰিকা।

**শ্ৰীপবিত্ৰ কুমাৰ বৰা**

*উঃ মাঃ প্ৰথম বাৰ্ষিক*

১। কি প্ৰাণীয়ে বাঁহ বনাব নাযানে?

উত্তৰ ঃ কুন্তিৰ।

২। কলেজৰ প্ৰথম মহিলা অধ্যক্ষ কোন?

উত্তৰ ঃ ৰাজবালা দাস।

# অগ্নিগৰ্ভা অসম আৰু ৰক্তাক্ত ভৱিষ্যৎ

শ্ৰীবসন্ত শইকীয়া
২য় বৰ্ষ

ভাৰতবৰ্ষৰ একেবাৰে উত্তৰ-পূৰ্বত পৰ্বত পাহাৰে আগুৰি থকা শুজলা শুফলা শস্য শ্যামলা আহোম স্বৰ্গদেউ চুকাফাৰ দৃষ্টিত সেউজীয়া সোণেৰে ভৰপূৰ অসমেই হওক বা বৰ্তমানৰ অৱহেলিত, অসহায় আৰু অপ্ৰাপ্তিৰ সমস্যাৰে ভৰপুৰ নিচলা অসম আজি অগ্নিগৰ্ভা। অগ্নিগৰ্ভা অসমে বহন কৰিবলগীয়া হৈছে ৰণোদ্দাম ৰাজনীতিৰ অনিশ্চিত ধুমুহা। ৬০০ বছৰীয়া গৌৰৱময় আহোম ৰাজত্বৰ পাছতেই ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে মান আৰু ইংৰাজৰ দুটা শক্তিয়ে অসমৰ জনমত তথা জনতাৰ স্বাৰ্থক আওঁকান কৰি অসমক চক্ৰান্তমূলক নীচ অভিসন্ধিৰে বৃটিছৰ তলতীয়া কৰিলে। কিন্তু ইংৰাজৰ এই স্থানীয় কাৰ্য্যক অসমবাসীয়ে সহজভাৱে নলৈ বাৰে বাৰে তাৰ বিৰোধীতা কৰি আহিছিল। অসমবাসীৰ পুঞ্জীভূত ক্ষোভৰ স্বতঃস্ফুত প্ৰকাশ পাইছিল ঠিক চিপাহী বিদ্ৰোহৰ পাছৰপৰাই। তাৰোপৰি সেই মুক্তি সংগ্ৰামৰ স্বাক্ষৰ বহন কৰিছে অসমৰ বীৰ শ্বহীদ মনিৰাম দেৱান, বাহাদুৰ গাওঁবুঢ়া, কুশল কোঁৱৰ, কনকলতা আৰু মুকুণ্ড কাকতিৰ দৰে অসংখ্য খ্যাত-অখ্যাত জাতীয় বীৰসকলে। অসমে এই বীৰ শ্বহীদসকলক হেৰুৱাৰ বাবদ ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে সমগ্ৰ ভাৰতৰ লগতে স্বাধীনতাৰ সোৱাদকণ লবলৈ পালে। কিন্তু, দুখৰ বিষয় অসমৰ বাবে স্বাধীনতাৰ জন্ম লগ্নতে কেৰোণ লাগিল।

সঁচাকৈয়ে এইটো আমাৰ বাবে বৰ দুখৰ বিষয়। যি সকল বীৰ শ্বহীদে দেশৰ বাবে তেজ দিলে তেওঁলোকৰ মৃত্যুৰ পিছতো অসমবাসীৰ মুক্তিৰ মহা সপোন সফল হৈ নুঠিল। এক কথাত কবলৈ গলে স্বাধীনতাৰ পতাকাৰ তলত অসমখন সকলো দিশতে পংগু হৈ ৰব লগা হ'ল। অসমে নিজৰ প্ৰাপ্যখিনি যেনে-- তেল শোধানাগাৰ প্ৰতিষ্ঠা, ভাষাৰ ক্ষেত্ৰত, ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণ আৰু ব্ৰডগজ ৰেল লাইন নিৰ্মাণ আদিৰ বাবে অসম ভাৰতৰ অংগৰাজ্য হৈও কেন্দ্ৰীয় চৰকাৰৰ অৱহেলাৰ প্ৰতিবাদ কৰিবৰ বাবে এশ এটা আন্দোলন কৰিব লগা হৈছে।

তাৰোপৰি অসমৰ চিৰলগৰীয়া বান সমস্যা, খাদ্য সমস্যা, জটিল নিবনুৱা সমস্যা লগতে অসমাপ্ত বিদেশী বিচৰণ সমস্যাই এক জটিল ৰূপ ধাৰণ কৰিছে। অসমৰপৰা বিদেশী খেদকেই বা নেখেদক ছাত্ৰ নেতা আৰু চৰকাৰী কৰ্তৃপক্ষই ৰাইজক ঠগিবলৈ ফাঁকি সৰ্বস্ব যি চুক্তিয়েই নকৰক বা যিখন অন্তসাৰ শুন্য ফোপোলা চুক্তি পত্ৰ অসমৰ ৰাইজক উপহাৰ দিলে তাৰ বিচাৰ কৰিব সময়ে। কিন্তু, এইখিনিতে এষাৰ কথা কবলৈ বাধ্য যে কাশ্মীৰত যেতিয়া পশ্চিম পাকিস্থানৰ পৰা মাত্ৰ আঠজন মানুহ সোমাওতেই সমগ্ৰ দেশ কঁপি উঠিছিল বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত। কিন্তু, অসমত থিতাপি লোৱা লাখ লাখ বিদেশী নাগৰিকৰ ক্ষেত্ৰত তেওঁলোক নিমাত কিয়? যিটো সমস্যা অকল অসমৰে নহয় কেন্দ্ৰীয় চৰকাৰৰো সমস্যা।

যি কি নহওক আমাৰ বুৰ্বক দুৰ্যোধন বোৰে বা নতুন বদনজাকে ক্ষমতাৰ মৰমক এৰাব নোৱাৰি ভোটৰ আশাত বিদেশী নাগৰিকক আশ্ৰয় দি অসংশোধিত ভোটৰ তালিকাৰে অসমৰ তেজ শুহি শুহি খোৱা দেখি সৰ্বসাধাৰণ ৰাইজ আচৰিত হব লগা একো নাই, কাৰণ সিহঁতক লাগে মাথোন মান-সন্মান আৰু ধন-ঐশ্বৰ্য্য। অৱশ্যে ইতিহাসে ঢুকি পোৱাৰ দিনৰেপৰাই অসমলৈ বিদেশীৰ সোঁত প্ৰবাহিত হলেও এই ক্ষেত্ৰতে দুৱাৰ মুকলি হৈছিল স্বাধীন ভাৰতৰ জন্ম লগ্নতে। তাৰ স্পষ্ট প্ৰমাণ পাওঁ গোপীনাথ বৰদলৈদেৱৰ দায়েৰীত আৰু তাত স্পষ্টকৈ উল্লেখ আছে অসমত বিদেশী নাগৰিক (দেশ বিভাজন প্ৰবজন হোৱা শৰণাৰ্থী) সকলক আশ্ৰয় দিবলৈ অস্বীকাৰ কৰাৰ কাৰণে সেই সময়ৰ ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱহৰলাল নেহেৰুৱে অসমলৈ আৰ্থিক অনুদান বন্ধ কৰি দিয়াৰ ভাবুকি দিছিল। গতিকে অসম এতিয়া নিৰুপায়। অসমৰ পৰিস্থিতি অস্থিৰ, মত সমস্যাৰ অন্ত নাই, তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাৰ দৰে ঢাকি ধৰিছে নিৰাপত্তা হীনতাৰ কুঁৱলীয়ে। আগৰ বৰ অসমখনক ভৌগলিকভাৱে খণ্ড বিখণ্ড কৰাৰ উপৰিও তথাকথিত বৰ্তমানৰ অসমখনক তিনিবাৰকৈ বিদেশীৰ হাতত তুলি দিব ওলাইছে গণতন্ত্ৰৰ ফোপোলা মন্ত্ৰ মতা বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰা আৰু ফেছীবাদী 'ধজ্বা বহনকাৰী আমাৰ মহান নেতা পালি নেতাসকলে। প্ৰথমবাৰ ১৯৪৭ চনত পাকিস্থানৰ হাতত, দ্বিতীয়বাৰ ১৯৬২ চনত চীনৰ হাতত যেতিয়া জৱহৰলাল নেহেৰুৱে "My heart goes with Assam" বুলি ঘঁৰিয়ালৰ চকুপানী তুকিছিল। আৰু তৃতীয়বাৰ অসমখন তুলি দিব বিচাৰিছে বিদেশী নাগৰিকৰ হাতত। তাকো অনুমান হয় শিকলি পিন্ধা অৱস্থাত। কিন্তু, এই খিনিতে প্ৰশ্ন হয় তাৰ বাবে অসম সাজুনে? ওঁহো, কেতিয়াও নহয়, অসমৰ ৰাইজ অধিক শোষিত, লুণ্ঠিত

আৰু বিদেশী নাগৰিকৰ ভোটেৰে নিৰ্বাচিত হৈ নিচলা অসমখনক সোণৰ অসম গঢ়াৰ আভূৰা ভৰা স্বদেশৰ বিপদৰ সময়ত হাত সাবতি বহি থকা সকলক ক্ষমা কৰিবলৈ কেতিয়াও সাজু নহয় আৰু নোৱাৰেও।

অসম আন্দোলনৰ দাবীবোৰ কি হ'ল? তেল নিদিও, চাহ নিদিও, অমুক নিদিও, ভুচুক নিদিও এই সকলোবোৰ দেখোন তল পৰিল। নদীৰ সোঁতত এপিনৰ পৰা সকলোবিলাক উটি যোৱাৰ দৰে হৈছে যদিও বাধা দিওঁতা কোনো নাই। বিদেশী নাগৰিক বহিষ্কাৰ নহলে পেতলৈ ভাত নোযোৱা চকুলৈ টোপনি নহা ধুৰন্ধৰ দেশ-প্ৰেমিকসকলে বিহুৰ সপোন দেখি আৰামত টোপনি গৈ আছে। সোণৰ অসম গঢ়াৰ আভূৰা ভৰা সকাহ চুকৰ নদাই, ভাদাইৰ দৰে দুখীয়া নিচলা শ্বহীদৰ তেজৰ বিনিময়ত লাখপতি ধনী হোৱাৰ কুৎসা ৰছনা কৰা ছাত্ৰ সংস্থাৰ নেতৃবৰ্গ আজি ক'ত? আজিৰ এই জটিল সন্ধিক্ষণত তেওঁলোক নিমাত কিয়? জনগণৰ আগত উপযুক্ত পথ দেখুওৱাৰ পৰিবৰ্তে তেওঁলোকে নিৰৱ দৰ্শক হৈ বহি আছে কিয়? উপায় নাই কাৰণ এক পানীয়ে বাওঁ মাৰি গৈছে অসমীয়াই হোলোকা হোলোকে ঘোলা পানী খাইছে আৰু ওপৰ মহলৰ ৰাজনীতিৰ ভেলেকীবাজী দেখিছে। কোনে জানে আৰু বা কিমান ডাঙৰ পানী আহে বা নহাৰো জানো কিবা নিশ্চয়তা আছে। এইবোৰৰ লগতে সমাজত নিবনুৱা সমস্যাই সৃষ্টি কৰা এটা বিস্ফোৰণমুখী পৰিস্থিতি আৰু আনপিনে চাকৰিৰ নিলাম বজাৰ। যত হেজাৰ হেজাৰ টকাৰ বিনিময়ত বিক্ৰী হৈ আছে চকিদাৰ পিয়নৰপৰা উচ্চ মানদণ্ডৰ বিষয়বোৰ। যাৰ ফলত বহুতো শিক্ষিত যুৱক-যুৱতীয়ে মহাবিদ্যালয়ৰ আৰু বিশ্ববিদ্যালয়ে দিয়া চাৰ্টিফিকেটবোৰৰ বোজা বহন কৰি ঘূৰি ফুৰিব লগা হৈছে অফিচৰ দুৱাৰ মুখে মুখে নাইবা মধ্যস্থতা ভোগী কোনোবা ৰাজনৈতিক দালালৰ পিছে পিছে।

এইখিনিতে আকৌ প্ৰশ্ন হয় শান্তিপ্ৰিয় অসমীয়াই হাতত বন্দুক তুলি ললে কিয়? নে বন্দুক তুলি লবলৈ বাধ্য কৰা হ'ল। তাৰ বাবে দায়ী কোন? আলফা নে প্ৰশাসনৰ দৃষ্টিত তথাকথিত আন সন্ত্ৰাসবাদী দলবোৰ। ইয়াৰ উত্তৰ হব সন্ত্ৰাসবাদীতকৈয়ো ভয়ংকৰ জাত-পাত ধৰ্ম আৰু আঞ্চলিকতাবাদৰ নামত অসমৰ সকলো গৌৰৱ ধুলিৰ লগত মিহলি কৰি অসমৰ প্ৰতিজন মানুহকে বিশ্বাস ঘাটকতা কৰা এদল অদক্ষ্য, অপৈনত, স্বাৰ্থপৰ মেৰুদণ্ডহীন ক্ষমতাপিপাসু মানুহৰূপী অমানুহ। তেওঁলোকৰ স্বাৰ্থপৰতা, প্ৰকৃত সমস্যা সমাধানত অনিহা, ক্ষমতাৰ খকা-খুন্দা আৰু পৰস্পৰৰ মাজতে থকা প্ৰতিহিংসা আদিৰ বাবেই অসমত ৰাষ্ট্ৰপতি শাসন আৰু কলা আইনৰ উজান উঠিবলৈ পালে। যিটো নতুন প্ৰজন্ম সকলৰ বাবে অতি পৰিতাপৰ কথা আৰু যাক মানৰ দিনৰ পুনৰাবৃত্তি ঘটা বুলি কলেও অতুক্তি কৰা নহয়। আলফা দমনৰ নামত সেনাবাহিনীৰ বন্দুক-বাৰুদ দেখুৱাই সমস্যা সমাধানৰ ক্ষেত্ৰত কাগজ দি ফাট বন্ধ কৰাৰ যি যোৱা তাপলি মৰাৰ অপচেষ্টা কৰিছে, তাৰ ফলত সমস্যা জটিলহে হৈ পৰিছে। আলফা দমনৰ নামত সেনাবাহিনীয়ে অসমীয়া জাতীয় সত্তাৰ ওপৰত আৰম্ভ কৰিলে অন্যায় অবিচাৰ আৰু অপমানিত কৰিলে অসমীয়া জাতীয়তাবাদক। আমি সকলোৱেই জানো এটা জাতিৰ জাতীয় সত্তাক আঘাট কৰিলে এটা জাতিয়ে ৰাষ্ট্ৰৰ মূল সুঁতিৰপৰা ফালি কাটি অন্য পথ বিচাৰিব পাৰে আৰু এই ইতিহাসসন্মত সত্য গতিকে ইয়াৰপৰা অনুমান হয় বৰ লুইতৰ পানীয়ে আকৌ স্পৰ্শ কৰিব কঁকাল ভঙা অসমীয়াৰ বুকুৰ শোনীত।

আমাৰ দাঁতিকাষৰীয়া দ্বীপ ৰাষ্ট্ৰখনৰ বিষয়ে সৰ্বভাৰতীয় সাংবাদিক তথা বুদ্ধিজীৱী কুলদ্বীপ নায়াৰে তেওঁৰ গঢ়াৰ কান্দ শ্ৰীলংকা নামৰ প্ৰবন্ধত উল্লেখ কৰিছিল যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি জয়বৰ্ধনে তেওঁৰ দেশত লগা গৃহযুদ্ধত তামিল টাইগাৰসকলৰ বিৰুদ্ধে যুদ্ধ কৰা চৰকাৰী সেনাসকলক ভিয়েটনামৰ যুদ্ধ কৰি থকা আমেৰিকানসকলৰ লগতহে তুলনা কৰে। যিহেতু আজিকালি বন্দুকৰ ট্ৰিগাৰত টিপা মৰাৰ লগে লগে বুলেট প্ৰৱল সোঁতত বাহিৰ হৈ যায়। কিন্তু, তামিল সকলো জানো শ্ৰীলংকাৰে নাগৰিক নহয়। সি যিকি নহওক অসমৰ আলফা সংগঠনে ভাৰতীয় সংবিধানৰ বিপক্ষে অন্য এটা পথ বাছি ললেও তামিল টাইগাৰ আৰু সিংহলী চৰকাৰী সেনাৰ মাজত সংগঠিত হোৱা ৰক্তক্ষয়ী গৃহযুদ্ধৰ তুলনাত আমাৰ ইয়াত বিশেষ একো হোৱা নাই বুলিয়ে কব পাৰি। কিন্তু, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ অস্থিৰ ৰণোদ্দাম ৰাজনীতিলৈ দৃষ্টি নিক্ষেপ কৰিলে আমি দেখিবলৈ পাম শামুকীয়া গতিত হলেও বৰ্তমানৰ ৰাজনৈতিক বাতাবৰণে সেই দিশলৈ গতি কৰে। অন্যহাতে আমি সকলোৱে জানো গৃহযুদ্ধ, দমন আইন আদিৰপৰা অজলা, দুখীয়া আৰু সৰ্বসাধাৰণ শ্ৰেণীৰ লগতে সমগ্ৰ দেশৰে ক্ষতি হয়। উদাহৰণস্বৰূপে, অসমৰ মোৱামৰীয়া বিদ্ৰোহৰ আঙুলিয়াব পাৰো। বৰ্তমানে শ্ৰীলংকা, আফগানিষ্ঠান আৰু পৃথিৱীৰ চুকে কোণে সংঘটিত হোৱা গৃহযুদ্ধসমূহৰ আমাৰ ইয়াত পুনৰাবৃত্তি নঘটাই দমনৰ কলা আইনবোৰ পৰিহাৰ কৰি পৰস্পৰ বুজা-বুজি আৰু সমিলমিলেৰে প্ৰকৃত সমস্যা সমাধানৰ চেষ্টা কৰক। কাৰণ সময় থাকোতেই সমস্যা সমাধানৰ চেষ্টা নকৰিলে বৰ্তমান অসমৰ আকাশত দেখা দিয়া অনিশ্চিত ৰণোদ্দাম ৰাজনীতিৰ ধুমুহা পাকচক্ৰত পৰি অসমখন দ্বিতীয় ভিয়েটনাম হবলৈ বেছি নালাগে। বৰ্তমানৰ এই জটিল সন্ধিক্ষনত সকলো সচেতন নাগৰিক সজাগ হওঁক। চৰকাৰেও বেজী জ্বলাৰ পৰা কুঠাৰৰ জ্বলালৈ মানিবলৈ চেষ্টা কৰা আৰু এনেকৈয়ে অন্ত পৰে যদি পৰিৱৰ্তন দিয়ক অসমৰ অসমীয়া জাতিৰ বেলিমাৰ যাবলৈ ওলোৱা বেলিমাৰ বুৰঞ্জীখনৰ অন্তিম এছোৱা।

❖❖❖

# অসমৰ মৃৎ শিল্প– বৰ্তমান আৰু ভৱিষ্যৎ

শ্ৰীবিমল চন্দ্ৰ বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত প্ৰকৃতিৰ লীলা ভূমি অসমৰ বুকুলৈ, প্ৰাক ঐতিহাসিক কালৰেপৰা নানা দেশৰ জনগোষ্ঠী সমূহ ভিন ভিন পথেৰে ভিন ভিন সময়ত আহি ঐতিহাসিক সংমিশ্ৰিত প্ৰক্ৰিয়াত সানমিহলি হৈ বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছিল। এই অসমীয়া জাতি বিশেষকৈ অসমত বাস কৰা দেখা যায়। সুজলা-সুফলা শস্য শ্যামলা ভাৰতৰ পূবত অসম দেশ অৱস্থিত। অসম কৃষি প্ৰধান দেশ হলেও অসমৰ জনসাধাৰণে প্ৰতিবছৰৰ ১২ মাহৰ ভিতৰত প্ৰায় ৬/৭ মাহ কাল খেতিত নিয়োগ হৈ বাকী কেইমাহ ঘৰত বহি কটাব লগাত পৰে। অসমৰ জনসাধাৰণে বাকী এই কালছোৱা এনেয়ে নকটাই বিভিন্ন ধৰণৰ শিল্পত নিয়োগ হৈ সময়ৰ সৎব্যৱহাৰ কৰিলে পৰিয়ালৰ উন্নতিৰ লগতে দেশৰ উন্নতিৰ হকে কাম কৰা হব।

অসমৰ জনসংখ্যা বৃদ্ধিও বহিৰাগত আগমণৰ ফলত নিবনুৱা সমস্যা দিনকদিনে বৃদ্ধি পাব ধৰিছে। নিবনুৱা সমস্যা সমাধানৰ এক উচিত উপায় হ'ল দেশৰ কুটীৰ ও ক্ষুদ্ৰ শিল্পসমূহৰ পুনৰ গঠন কৰি প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিৰদ্বাৰা সেই উদ্যোগবিলাক পৰিচালনা কৰিব লাগিব। তেতিয়াহে দেশৰ নিবনুৱা সমস্যা দূৰ হ'ব। যদিহে দেশৰ কুটীৰ ও ক্ষুদ্ৰ শিল্পৰ উন্নতি সাধন নহয় তেনেহলে নিবনুৱা সমস্যা দূৰ কৰাটো সম্ভৱ হৈ নুঠিব।

অসমৰ এই মৃৎ শিল্পত তৈয়াৰ হোৱা সামগ্ৰীসমূহ অতি পুৰণি ধৰণৰ হোৱাৰ বাবে এই সামগ্ৰীসমূহে বিদেশত বৃহদাকাৰ উদ্যোগত তৈয়াৰ হোৱা সামগ্ৰীৰ লগত প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি দেশৰ ভিতৰতে আবদ্ধ হব লগাত পৰিছে। সেই কাৰণে অসমৰ মৃৎ শিল্পই বহল প্ৰচাৰ কৰিব পৰা নাই। অন্যহাতে দেখা যায় যে অসমৰ মৃৎ শিল্পত তৈয়াৰ হোৱা সামগ্ৰীসমূহ উচিত মূল্যত বিক্ৰী কৰিব পৰা নাই। ইয়াৰ অন্তৰালত আবদ্ধ হৈ আছে, পুৰণি কৰি যন্ত্ৰপাতি, পুৰণি কৃষি প্ৰণালী আদি কিছুমান ঠাইত আজিও ব্যৱহৃত হৈ আছে। অসমৰ শিল্পীসকলে আজি এই বৈজ্ঞানীক যুগতো উন্নত ধৰণৰ কাৰিকৰী কৌশল ব্যৱহাৰ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।

দ্বিতীয়তে, অসমৰ মৃৎ শিল্পত যিবিলাক সামগ্ৰী উৎপাদন কৰা হয়, সেই দ্ৰব্যসমূহ উন্নত পদ্ধতিৰ দ্বাৰা কৰা নহয়। তৃতীয়তে, প্ৰদৰ্শনীমূলক সামগ্ৰী বিলাক উন্নত মানবিশিষ্ট ৰং ব্যৱহাৰ কৰি গ্ৰাহকসকলৰ মনঃপুত কৰিব নোৱাৰাত সামগ্ৰীসমূহ কম দামতেই বিক্ৰী কৰিব লগাত পৰে বা বজাৰ চাহিদা কম হয়। বৰ্তমান অসমৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ অৱস্থা অতি শোচনীয় বুলিয়েই কব পাৰি। এই অৱস্থাত যদি অসম চৰকাৰৰ চোকা দৃষ্টি নপৰে তেনেহলে অসমত এই শিল্পবিলাকৰ অস্তিত্বই নাইকীয়া হব। বিশেষকৈ অসম চৰকাৰে নিজৰ দেশৰ এই শিল্পবিলাকৰ প্ৰতি চোকা দৃষ্টি ৰাখি এনে শিল্পবিলাকত নিয়োগ হৈ থকা জনসাধাৰণক কাৰিকৰী কৌশলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে অসমত অন্য দেশৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ লগত ফেৰ মাৰিব নিশ্চয় পাৰিব।

ভাৰত চৰকাৰে কুটীৰ আৰু ক্ষুদ্ৰ শিল্পবিলাকৰ উন্নতিৰ কাৰণে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত ৪৩ কোটি টকা ২য় পঞ্চবাৰ্ষিক পৰিকল্পনাত ১৭৫ কোটি টকা, ৩য় পঞ্চবাৰ্ষিক পৰিকল্পনাত ২২৪ কোটি টকা আৰু চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত ৩৭০ কোটি টকা বিনিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছিল। এই পঞ্চবাৰ্ষিক পৰিকল্পনাত যি মহৎ উদ্দেশ্য লৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, সেই সিদ্ধান্ত অসমৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ স্বৰূপ বিশেষকৈ মৃৎ শিল্পৰ কাৰ্য্যকৰী হৈ নুঠিল। সেইকাৰণে অসমৰ মৃৎশিল্প পৃথিৱীৰ ভিতৰত নুন্যতম হৈ পৰিল।

অসম চৰকাৰে অসমৰ মৃৎ শিল্পত আবদ্ধ হৈ থকা

# অসমৰ মৃৎ শিল্প— বৰ্তমান আৰু ভৱিষ্যৎ

**শ্ৰীবিমল চন্দ্ৰ বৰুৱা**
*উঃ মাঃ ২য় বৰ্ষ*

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত প্ৰকৃতিৰ লীলা ভূমি অসমৰ বুকুলৈ, প্ৰাক ঐতিহাসিক কালৰেপৰা নানা দেশৰ জনগোষ্ঠী সমূহ ভিন ভিন পথেৰে ভিন ভিন সময়ত আহি ঐতিহাসিক সংমিশ্ৰিত প্ৰক্ৰিয়াত সানমিহলি হৈ বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছিল। এই অসমীয়া জাতি বিশেষকৈ অসমত বাস কৰা দেখা যায়। সুজলা-সুফলা শস্য শ্যামলা ভাৰতৰ পূবত অসম দেশ অৱস্থিত। অসম কৃষি প্ৰধান দেশ হলেও অসমৰ জনসাধাৰণে প্ৰতিবছৰৰ ১২ মাহৰ ভিতৰত প্ৰায় ৬/৭ মাহ কাল খেতিত নিয়োগ হৈ বাকী কেইমাহ ঘৰত বহি কটাব লগাত পৰে। অসমৰ জনসাধাৰণে বাকী এই কালছোৱা এনেয়ে নকটাই বিভিন্ন ধৰণৰ শিল্পত নিয়োগ হৈ সময়ৰ সৎব্যৱহাৰ কৰিলে পৰিয়ালৰ উন্নতিৰ লগতে দেশৰ উন্নতিৰ হকে কাম কৰা হ'ব।

অসমৰ জনসংখ্যা বৃদ্ধিও বহিৰাগত আগমণৰ ফলত নিবনুৱা সমস্যা দিনকদিনে বৃদ্ধি পাব ধৰিছে। নিবনুৱা সমস্যা সমাধানৰ এক উচিত উপায় হ'ল দেশৰ কুটীৰ ও ক্ষুদ্ৰ শিল্পসমূহৰ পুনৰ গঠন কৰি প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিবদ্বাৰা সেই উদ্যোগবিলাক পৰিচালনা কৰিব লাগিব। তেতিয়াহে দেশৰ নিবনুৱা সমস্যা দূৰ হ'ব। যদিহে দেশৰ কুটীৰ ও ক্ষুদ্ৰ শিল্পৰ উন্নতি সাধন নহয় তেনেহলে নিবনুৱা সমস্যা দূৰ কৰাটো সম্ভৱ হৈ নুঠিব।

অসমৰ এই মৃৎ শিল্পত তৈয়াৰ হোৱা সামগ্ৰীসমূহ অতি পুৰণি ধৰণৰ হোৱাৰ বাবে এই সামগ্ৰীসমূহে বিদেশত বৃহদাকাৰ উদ্যোগত তৈয়াৰ হোৱা সামগ্ৰীৰ লগত প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি দেশৰ ভিতৰতে আবদ্ধ হব লগাত পৰিছে। সেই কাৰণে অসমৰ মৃৎ শিল্পই বহল প্ৰচাৰ কৰিব পৰা নাই। অন্যহাতে দেখা যায় যে অসমৰ মৃৎ শিল্পত তৈয়াৰ হোৱা সামগ্ৰীসমূহ উচিত মূল্যত বিক্ৰী কৰিব পৰা নাই। ইয়াৰ অন্তৰালত আবদ্ধ হৈ আছে, পুৰণি কৰি যন্ত্ৰপাতি, পুৰণি কৃষি প্ৰণালী আদি কিছুমান ঠাইত আজিও ব্যৱহৃত হৈ আছে। অসমৰ শিল্পীসকলে আজি এই বৈজ্ঞানীক যুগতো উন্নত ধৰণৰ কাৰিকৰী কৌশল ব্যৱহাৰ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।

দ্বিতীয়তে, অসমৰ মৃৎ শিল্পত যিবিলাক সামগ্ৰী উৎপাদন কৰা হয়, সেই দ্ৰব্যসমূহ উন্নত পদ্ধতিৰ দ্বাৰা কৰা নহয়। তৃতীয়তে, প্ৰদৰ্শনীমূলক সামগ্ৰী বিলাক উন্নত মানবিশিষ্ট ৰং ব্যৱহাৰ কৰি গ্ৰাহকসকলৰ মনঃপুত কৰিব নোৱাৰাত সামগ্ৰীসমূহ কম দামতেই বিক্ৰী কৰিব লগাত পৰে বা বজাৰ চাহিদা কম হয়। বৰ্তমান অসমৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ অৱস্থা অতি শোচনীয় বুলিয়েই কব পাৰি। এই অৱস্থাত যদি অসম চৰকাৰৰ চোকা দৃষ্টি নপৰে তেনেহলে অসমত এই শিল্পবিলাকৰ অস্তিত্বই নাইকীয়া হব। বিশেষকৈ অসম চৰকাৰে নিজৰ দেশৰ এই শিল্পবিলাকৰ প্ৰতি চোকা দৃষ্টি ৰাখি এনে শিল্পবিলাকত নিয়োগ হৈ থকা জনসাধাৰণক কাৰিকৰী কৌশলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে অসমত অন্য দেশৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ লগত ফেৰ মাৰিব নিশ্চয় পাৰিব।

ভাৰত চৰকাৰে কুটীৰ আৰু ক্ষুদ্ৰ শিল্পবিলাকৰ উন্নতিৰ কাৰণে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত ৪৩ কোটি টকা ২য় পঞ্চবাৰ্ষিক পৰিকল্পনাত ১৭৫ কোটি টকা, ৩য় পঞ্চবাৰ্ষিক পৰিকল্পনাত ২২৪ কোটি টকা আৰু চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত ৩৭০ কোটি টকা বিনিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছিল। এই পঞ্চবাৰ্ষিক পৰিকল্পনাত যি মহৎ উদ্দেশ্য লৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, সেই সিদ্ধান্ত অসমৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ স্বৰূপ বিশেষকৈ মৃৎ শিল্পৰ কাৰ্য্যকৰী হৈ নুঠিল। সেইকাৰণে অসমৰ মৃৎশিল্প পৃথিৱীৰ ভিতৰত নুন্যতম হৈ পৰিল।

অসম চৰকাৰে অসমৰ মৃৎ শিল্পত আবদ্ধ হৈ থকা

জনসাধাৰণক চৰকাৰৰপৰা যি কাৰিকৰী কৌশল যন্ত্ৰপাতি যোগান ধৰা ব্যৱস্থা কৰিছিল সেই যন্ত্ৰপাতি আজি পৰ্য্যন্ত বাস্তৱত পৰিণত নহল। যি দুই চাৰিটা যন্ত্ৰপাতি চৰকাৰৰ ফালৰপৰা যোগান ধৰিছিল সেই কেইখনো প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তি নোহোৱাত অচলাৱস্থাত পৰি থকা দেখা যায়। অন্য হাতে দেখা যায় অসমৰ মৃৎশিল্পীসকলৰ অৱস্থা অতি শোচনীয়। কাণে কাণ মাৰি যেনে তেনে জীৱন ধাৰণ কৰা ব্যক্তিসকলৰ মৃৎ শিল্পত ব্যৱহাৰ কৰা কাৰিকৰী যন্ত্ৰপাতি ব্যক্তিগতভাৱে কিনি আনি ব্যৱহাৰ কৰিবলৈ মূলধনৰ অভাৱ বা কোনো কাৰিকৰী প্ৰশিক্ষণ নথকাৰ বাবে মূলধন ব্যক্তিগতভাৱে থাকিলেও আগবাঢ়ি যাব নোৱাৰে। ব্যক্তিগতভাৱে প্ৰশিক্ষণ লবলৈও সাধাৰণ শিক্ষাৰ অভাৱ হব পাৰে। উপৰোক্ত নানা ধৰণৰ দুৰৱস্থাৰ বাবে আজি অসমৰ মৃৎশিল্প নিম্ন স্তৰৰ বুলি কব পাৰি।

অসমৰ মৃৎ শিল্পৰ ওপৰত অসম চৰকাৰে চোকা দৃষ্টি ৰাখি অসমৰ প্ৰতি জিলাতে একোটাকৈ স্থায়ী উদ্যোগ স্থাপন কৰি সেই উদ্যোগ বিলাকত শিক্ষিত প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিৰ দ্বাৰা পৰিচালনা কৰিলে মৃৎ শিল্পত আবদ্ধ হৈ থকা জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত হব তথা দেশৰ জাতীয় আয় বৃদ্ধি পাব।

আধুনিক কাৰিকৰী যুগত দেশৰ যিবিলাক উদ্যোগ স্থাপন কৰা হৈছে সেই উদ্যোগ বিলাক বিশেষকৈ কলিকতা, বোম্বাই কানপুৰ আদি কেইখনমান চহৰক কেন্দ্ৰ কৰি গঢ়ি উঠিছে ঠিক তেনেদৰে ,অসমতো কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি প্ৰশিক্ষণৰ ব্যৱস্থা নিশ্চয় দেশখনৰ আঞ্চলিক বৈষম্য দূৰীকৰণ হব, লগতে মৃৎ শিল্পকো উন্নতি পথত আগবঢ়াই নিয়া হ'ব।"

"অসমীয়া মানুহে পইচা খৰচ কৰি এমুঠি বিড়ি আনি হুপিব, তথাপি এখন পুথি কিনি নপঢ়ে।"

"ভুল-ক্ৰটীৰ মাজেদি আগবাঢ়ি পঢ়ুৱৈসকলে নিজেই নতুন পথৰ সন্ধান বিচাৰি পাব বুলি মোৰ ধাৰণা।"

⌘⌘⌘

## মহৎ লোকৰ বাণী

শ্ৰীঅনুপ্ৰভা ফুকন
*স্নাতক তৃতীয় বাৰ্ষিক*

১। জীৱনত নানা সমস্যা আহিবই। যিকোনো সমস্যাই নহওক হৃদয় দি উপলব্ধি কৰা অন্তৰ দি বিচাৰ কৰা, প্ৰাণ দি চিন্তা কৰা, সমাধানৰ উপায় ওলাই আহিবই। যদি নাহে তেন্তে বুজিব লাগিব তুমি সেই সমস্যা ঐকান্তিক ভাৱে প্ৰাণ দি, হৃদয় দি, অন্তৰ দি উপলব্ধি কৰা নাই, বিচাৰ কৰা নাই। --- *অম্বিকাগিৰী ৰায়চৌধুৰী*

শ্ৰীৰূপজ্যোতি বৰা
*স্নাতক প্ৰথম বাৰ্ষিক*

১। যিজনে জীৱনটোক অৰ্থহীন বুলি ভাৱে তেওঁ কেৱল দুৰ্ভগীয়াই নহয় জীয়াই থকাৰো অযোগ্য।
--- *এলবাৰ্ট আইনষ্টাইন*

শ্ৰীমতী অৰূপা খনিকৰ
*স্নাতক প্ৰথম বাৰ্ষিক*

১। কামেই উপাসনা, হাঁহিয়েই জীৱন, যিজনে জীৱনৰ সুখ আৰু দুখ দুয়োকো হৰ্ষমনে গ্ৰহন কৰিব জানে তেওঁহে জীৱনৰ সৌন্দৰ্য্য ভোগ কৰিব পাৰে।

--- *চৰ্দাৰ বল্লভ ভাই পেটেল*

# কুৰি শতিকাৰ বিয়লী বেলাত নাৰীৰ অৱস্থা

শ্ৰীইন্দ্ৰেশ্বৰ গগৈ
*স্নাতক তৃতীয় বাৰ্ষিক*

বৰ্তমান সময়ত নাৰীয়ে ৰাজনীতি, শিক্ষানীতি, সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি, বিজ্ঞান সকলোতে পুৰুষৰ সমানে কৃতকাৰ্য্যতা লাভ কৰিছে। সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে আগুৱাই গৈ নাৰী যে কেৱল ভোগৰ সামগ্ৰী নহয় সেই কথা প্ৰমাণ কৰি দেখুৱাইছে। তথাপি নাৰীয়ে এই শতিকাতো পুৰুষৰ হাতত নিৰ্য্যাতন ভোগ কৰিব লগা হোৱাটো অতি পৰিতাপৰ কথা। আজিও প্ৰায় বিলাক পুৰুষে নাৰীক কেৱল ভোগৰ সামগ্ৰী বুলিহে গণ্য কৰিছে, যাৰ ফলত আজিৰ সমাজত নানা নাৰী জড়িত অমানৱীয় ঘটনা ঘটিছে। আমাৰ অসমতো বড়ো আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন আদিৰ সময়ত আৰু শেহতীয়াকৈ উগ্ৰপন্থী ধৰাৰ নামত ভাৰতীয় সেনা বাহিনীৰ হাতত অসমীয়া মহিলা-যুৱতী, বৃদ্ধা আৰু কিশোৰীসকলে যি নিৰ্য্যাতন ভূগিলে সেয়া কোনেও কেতিয়াও পাহৰিব নোৱাৰে। বৰ্তমান সময়ত যুৱক সম্প্ৰদায়ৰ মাজত যি অসুস্থ মানসিকতাই গা কৰি উঠিছে সেই মানসিকতাৰ বলি হৈছে নাৰীসকল। অৱশ্যে যুৱকসকলৰ অসুস্থ মানসিকতাৰ বাবে যে নাৰী সকলো কিছু পৰিমাণে দায়ী সেয়া স্বীকাৰ্য। কেৱল পুৰুষকেই এই সম্পৰ্কত জগৰীয়া কৰিব নোৱাৰি। কুৰি শতিকাৰ বিয়লি বেলাতো নাৰীক নগ্ন ৰূপত সজাই তোলা হৈছে। চিনেমাৰ পৰ্দাৰ পৰা লজেন্সৰ কাগজলৈকে কেৱল নগ্ন নাৰীৰ ছবি। এয়া জানো নাৰীৰ নিৰ্য্যাতন নহয়? নাৰীৰ এই নগ্ন ৰূপে যুৱক সকলৰ মাজতো অসুস্থ মানসিকতাৰ সৃষ্টি কৰিছে আৰু নাৰী সকলেই এই মানসিকতাৰ বলি হৈছে। কুৰি শতিকাতো নাৰী সতী দাহ প্ৰথা, যৌতুক প্ৰথাৰ বলি হোৱাটোৱে নাৰী নিৰ্য্যাতনৰ ভয়াৱহ ৰূপটো দেখুৱাই দিছে।

এই সম্পৰ্কত বহুটো লোকৰ মত এনেধৰণৰ "হেজাৰ হওক তিৰোতা মানুহ", "লাউ যিমানেই ডাঙৰ নহওঁক সদায় পাতৰ তল"- নাৰী সম্পৰ্কে এনে মন্তব্য নিদিয়া পুৰুষ কম বুলিব পাৰি। আমাৰ সমাজৰ বহু শিক্ষিত মানুহে নাৰী যে পুৰুষতকৈ বহু কথাত পিছপৰা এই কথাটো ব্যাপকভাৱে অনুভৱ কৰে।

বহু শিক্ষিত লোকেও নাৰী সম্পৰ্কত মন্তব্য কৰে যে "এ তেওঁ লোকৰনো কি ডাক্তৰণীয়েই হওঁক বা প্ৰফেচাৰণীয়েই চিন্তাৰ দৌৰ সিমানেই-- গাড়ী, বাৰী আৰু শাৰীৰ মাজত সীমাবদ্ধ"। অৱশ্যে এই উক্তিষাৰৰ তাৎপৰ্য্য নথকাও নহয়; যাৰ ফল স্বৰূপে সমাজত দূৰ্নীতি প্ৰৱেশ ঘটোৱাটো মন্তব্য দিব পৰা যায়। এচাম নাৰীয়ে নিজৰ অভিজাত্য বজাই ৰখাটো, অধিক লাহ-বিলাহত জীৱন কটাবলৈ তেওঁলোকৰ চাকৰিয়াল স্বামী সকলক দূৰ্নীতিত লিপ্ত হবলৈ বাধ্য কৰাইছে।

আমাৰ সমাজত এতিয়া নাৰীয়ে সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈছে যদিও সেয়া নানা বাধা বিঘিনিৰ মাজতহে সম্ভৱ হৈছে। প্ৰায় নাৰীয়ে এই ক্ষেত্ৰত সামাজিক প্ৰেৰণা পোৱা নাই। বৰ্তমান সময়ত কেৱল "ঘৰ সংসাৰ কৰা" অৰ্থাৎ সন্তান ধাৰণ, গৃহ-কাৰ্য্য বা স্বামী সেৱাই নাৰী জীৱনৰ একমাত্ৰ উদ্দেশ্য বুলি অধিকাংশ লোকে ভবাটো নাৰীৰ প্ৰতি অতি অসন্মানজনক কথা হৈছে। নাৰীৰ স্বাধীনতা, নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ পাব ইত্যাদি কথাবোৰ বক্তৃতা বা কিতাপ পত্ৰৰ লিখনিতহে সম্ভৱ হয়। কাৰ্য্যক্ষেত্ৰত সেয়া হৈ উঠাটো এতিয়াও জটিল হৈয়ে আছে।

মহান পুৰুষ হজৰত মহম্মদে সেয়েহে কৈছিল- "নাৰীক সৰুয়েই হওঁক বা ডাঙৰেই মাতৃ দৰে স্নেহ কৰিবা কিয়নো যাৰ গৰ্ভতে তুমি এজন পুৰুষ হিচাপে জন্ম লাভ কৰিছা, এই নাৰী জাতিয়েই কঢ়িয়াই আনিছে মানৱ সমাজ". যি সময়ত আৰবত নাৰীৰ ওপৰত দুৰাচাৰ অনাচাৰ কন্যা সন্তান জন্ম হলে মাক দেউতাকৰ শান্তি নাছিল, তেওঁলোকে জীয়াই জীয়াই ডিঙিত চেপি নিজৰ কন্যা সন্তানটিক মাৰি পেলাইছিল সেই সময়ত এইবিলাক অনাচাৰ দূৰ কৰিবলৈ পৰম পিতাই হজৰত মহম্মদক প্ৰেৰণ কৰিছিল। যাৰ ফলত তেওঁ বিশ্ব মানৱক এক নতুন ৰূপত সজাই পৰাই তুলিছিল। গতিকে মই ভাবো নাৰীয়ে বিভিন্ন ক্ষেত্ৰত পুৰুষৰ প্ৰেৰণা পালে আৰু নিৰ্য্যাতনমুক্ত হলে অদুৰ ভৱিষ্যতে হয়টো আৰু উন্নতি কৰিব পাৰিব। □

# পৰীক্ষাত নকল আৰু ইয়াৰ কাৰণ

শ্ৰীনৰকান্ত কলিতা
স্নাতক ২য় বৰ্ষ

আমি সকলোৰে জানো যে শিক্ষা বুলিলে কোনো এটা বিষয়ত জ্ঞান বা দক্ষতা আহৰণ কৰাকে বুজায়। অন্যহাতেদি বহল অৰ্থত শিক্ষা মানে হল মন আৰু আত্মাৰ বিকাশ সাধনৰ বাবে যি প্ৰচেষ্টা বা কাৰ্য্য কৰা হয় তাক শিক্ষা বোলে। ইংৰাজী ভাষাত "শিক্ষা" শব্দটোক EDU-CATION বোলা হয়।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ সকলোতকৈ দুখ লগা আৰু লজ্জাজনক ৰূপটো হ'ল পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে নকল কৰাটো আৰু ইয়াৰ লগত জড়িত থকা শিক্ষক শিক্ষয়িত্ৰী আৰু সমাজৰ অসুস্থ মানসিকতা। এই নকল ব্যৱস্থাৰ বাবে মানুহৰ শৈক্ষিক পৰিৱেশ আৰু আচল বস্তু আয়ত্ব কৰাৰ পৰা আঁতৰত ৰাখিছে, যাৰ বাবে সমগ্ৰদেশৰ শিক্ষাৰ মানদণ্ড ক্ৰমান্বয়ে কমি আহিছে।

আজি এই সমস্যাটোৰ মূল কাৰণ কি জনাটো সকলোৰে প্ৰয়োজন। এই ক্ষেত্ৰত বিশেষকৈ শিক্ষা ব্যৱস্থাৰ মুৰব্বীসকলে অংশ গ্ৰহণ কৰিব লাগে। কি কাৰণে ছাত্ৰ-ছাত্ৰীসকলে নকল কৰে, সেই সম্পৰ্কে সামাজিক, শৈক্ষিক, অৰ্থনৈতিক সকলো প্ৰকাৰৰ তাত্বিক বিশ্লেষণৰ আৱশ্যক আহি পৰে।

কিয় বা কেলৈ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত নকল কৰে তাৰ কাৰণবোৰ তলত আলোচনা কৰা হ'ল-

১। **শিক্ষক** ঃ এই ক্ষেত্ৰত শিক্ষকসকলক জগৰীয়া কৰাৰ স্থল আছে। এজন শিক্ষকে প্ৰাৰম্ভিক স্তৰৰপৰা ছাত্ৰ-ছাত্ৰীক আক্ষৰিক আৰু বৈষয়িক শিক্ষা প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত সোমাই যোৱাকে মৰমৰ মাতেৰে সুস্থ বাতাবৰণ আৰু উচ্চ ভাবধাৰাৰ প্ৰতি মানসিক প্ৰস্তুতি কৰাব লাগে। বৰ্তমান পৰিস্থিতিসমূহৰ মুখা-মুখী হোৱা, সত্যৰ প্ৰতি আনুগত্য স্বীকাৰ কৰা নিজৰ ভুল স্বীকাৰ কৰি গৌৰৱবোধ কৰা আদি নৈতিক, সামাজিক শিক্ষা পাঠদানৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীক শিক্ষকে দিয়াতো বাঞ্চনীয়।

অন্যহাতেদি আঁচনিহীন পাঠ্যক্ৰমৰ বাবে কোনো এটা পাঠ বা বিষয় ছাত্ৰ-ছাত্ৰীৰ বাবে কঠিন হৈ পৰে। বিদ্যালয়তেই হওঁক বা মহাবিদ্যালয়তেই হওঁক কৰ্তৃপক্ষৰ অনুশাসনহীনতা আৰু নিজৰ এলাহৰ বাবে পৰীক্ষাৰ সময়লৈকে নিৰ্দ্ধাৰিত পাঠ্যক্ৰম অন্ত কৰিব নোৱাৰে। তাৰোপৰি সময়মতে বহু শিক্ষক শিক্ষানুষ্ঠানত উপস্থিত নাথাকে। তাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হোৱাৰ আশাত পৰীক্ষাত নকল কৰিবলগীয়া হয়।

বিদ্যালয় বা মহাবিদ্যালয়ৰ পৰীক্ষাগৃহত ছাত্ৰ-ছাত্ৰীয়ে কৰা অসৎ কামবোৰৰ প্ৰতি কোনো কোনো শিক্ষকে মনোযোগ নিদিয়া আৰু তাৰ তৎকালীন ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাগৃহত নকল কৰাৰ অৱকাশ পায়।

তাৰোপৰি কোনো কোনো শিক্ষক- শিক্ষয়িত্ৰী নিজৰ অঞ্চলৰ বুলি, ধুনীয়া, ধনী বংশ, মোৰ বিষয়ৰ ছাত্ৰ ইত্যাদি কাৰণত ছাত্ৰ-ছাত্ৰীক পৰীক্ষাগৃহত, চমু প্ৰশ্নৰ উত্তৰত সহায় কৰা, নকল কৰিবলৈ সুবিধা দিয়া ইত্যাদি কথাওঁ সকলোৰে পৰিলক্ষিত হয়।

২। **ছাত্ৰ-ছাত্ৰী** ঃ বৰ্তমান সময়ত শিক্ষাৰ উদ্দেশ্য হ'ল প্ৰমাণ পত্ৰ লাভ কৰাতো। শিক্ষাৰ উদ্দেশ্য এইটো নহয় যে জ্ঞান লাভ কৰাটো বা শুদ্ধ বিষয় বস্তুটো বাচি উলিওৱাটো। ইয়াৰ কাৰণ যথেষ্ট আছে। বি. এ. বা এম. এ. পাছ কৰি ঘৰতে বহুতো ছাত্ৰ-ছাত্ৰীয়ে বহি থাকিব লগা অৱস্থা হৈছে। অন্য হাতেদি কোনো এটা চৰকাৰী পদৰ বাবে নম্বৰ শতাংশৰ মানদণ্ড নাইকীয়া হৈছে। আজিৰ যুগত যদি ২০।৩০ হেজাৰ টকা ঘোচ দিব পৰা হয় তেনে প্ৰথম স্থান পোৱা ল'ৰাটোৰ ঠাইত তৃতীয় স্থান পোৱা ল'ৰাটোহে সেই পদটোৰ অধিকাৰী হব। এইবোৰ উদাহৰণ দেখি ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ বিমুখিতা আৰু একমাত্ৰ যি কোনো প্ৰকাৰে পৰীক্ষাত পাছ কৰাৰ উপায় বাচি লয়। তাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা ঘৰত নকলৰ আশ্ৰয় লয়। এনে বাতাবৰণক লৈ বৰ্তমান ছাত্ৰ-ছাত্ৰীসকল এক প্ৰকাৰৰ সমাজৰ বৰ্হিভূত এক শ্ৰেণী প্ৰাণী হৈ পৰিছে। ভৱিষ্যত এনে ধৰণৰ ছাত্ৰ-ছাত্ৰীৰ পৰা দেশ আৰু নিজকে ধ্বংস কৰাৰ বাদে অন্য উপহাৰ পোৱা নাযাব।

৩। **অভিভাৱক** ঃ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত নকল কৰাৰ ক্ষেত্ৰত তৃতীয়তে আমি দোষাৰোপ কৰিব পাৰো অভিভাৱকসকলক। বহুতো অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াই গাৱে-ভূঞে, হাটে বজাৰে সকামে-নিকামে, আৰ-তাৰ আগত কৈ থাকিব যে মোৰ ল'ৰাটোৱে এইবাৰ হাইস্কুল শেষান্ত পৰীক্ষা দিব বা এইবাৰ বি এ ফাইনেল

দিব। ল'ৰাটো পঢ়াত কেনেকুৱা বুলি যদি কোনোবাই প্ৰশ্ন কৰে তেন্তে উত্তৰ দিব যে ভগৱানে কৰিলে যেনে তেনে যাব লাগে, পঢ়াত বৰ ভাল নহয়। স্কুললৈ পঠিয়াই বহুতো অভিভাৱকে ভাবে যে দায়িত্বৰপৰা হাত সাৰিল। স্কুল সময়ৰ পাছত ল'ৰা-ছোৱালীক ঘৰুৱা কাম বনত ব্যস্ত ৰাখি ভৱিষ্যত জীৱনৰ সুফল আশা নকৰে।

আনহাতেদি অভিভাৱক সকলে ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে শিক্ষকৰ সমালোচনা কৰা শিক্ষকৰ ব্যক্তিগত চৰিত্ৰ বিশ্লেষণ কৰা আদি কথাই ছাত্ৰ-ছাত্ৰীক শিক্ষকৰ প্ৰতি শ্ৰদ্ধা কমাই তোলে আৰু লগে লগে ছাত্ৰ-ছাত্ৰীসকল অনুশাসনহীনতালৈ পৰিৱৰ্তন হয়।

তাৰোপৰি এনে কিছুমান অভিভাৱক আছে যে তেওঁলোকৰ উদ্দেশ্য হ'ল তেওঁৰ ল'ৰা বা ছোৱালীজনী কিমান পঢ়িব পাৰিছে সেইটোলৈ লক্ষ্য নকৰি মাত্ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাটোহে কামনা কৰে বাবে নিজৰ ল'ৰা-ছোৱালীয়ে নকল কৰা দেখা যায়।

সাধাৰণতে শিক্ষানুষ্ঠানবোৰত অভিভাৱক সকলে পৰীক্ষাত উত্তীৰ্ণ কৰি দিবৰ বাবে শিক্ষকৰ ওচৰত নিবেদন কৰা দেখা যায়। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল বিপথে যোৱাত সুচল হয়।

নিজৰ ঘৰুৱা কামত ছাত্ৰ-ছাত্ৰীসকলক ব্যস্ত ৰাখি অভিভাৱকসকলে তেওঁলোকক নিয়মমতে শিক্ষানুষ্ঠানলৈ নপঠাই আৰু কিতাপ পত্ৰ বা অন্যান্য লাগতিয়াল সা-সুবিধাবোৰ যোগান নধৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলক নকল কৰাৰ প্ৰৱণতাই দেখা দিয়ে।

৪। **পাঠ্যক্ৰম ঃ** বৰ্তমান প্ৰচলিত পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক বিপথে যোৱাত আগ্ৰহী কৰিছে। পাঠ্যক্ৰমবোৰ ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী নোহোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অসৎ উপায় অৱলম্বন কৰিবলৈ বাধ্য হৈছে। তদুপৰি বয়স পৰিৱেশ আদিৰ লগত পাঠ্যক্ৰমৰ অলপো মিল নোহোৱাৰ বাবে বজাৰৰ বিভিন্ন লিখকৰ বিভিন্ন মতামতৰ সস্তীয়া সহায়িকাৰ সহায় লৈ ভাৰসাম্য বা তাৰ ওপৰত প্ৰাধান্য দিব লগা হৈছে আৰু বোজা বহন কৰিব নোৱাৰি কেতিয়াবা অসৎ উপায় অৱলম্বন কৰিব লগা অৱস্থা আহি পৰিছে।

প্ৰতি বছৰে বছৰে নতুন শিক্ষানীতি গ্ৰহণ কৰা হয়। কিন্তু সেই অনুপাতে শিক্ষকসকলক উপযুক্ত প্ৰশিক্ষণ দি নোলোৱাৰ বাবে বহু ক্ষেত্ৰত শিক্ষকেও পাল মাৰিব লগা অৱস্থা আহি পৰে। এটা শিক্ষা আঁচনিৰ পৰামৰ্শ সম্পূৰ্ণ ফলাফল বা উত্তৰ নাপাওতেই আকৌ নতুন পাঠ্যক্ৰম প্ৰচাৰ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল উপায়ন্তৰ হৈ অসৎ কাৰ্য্য কৰিবলৈ আগবাঢ়ি আছে।

৫। **সামাজিক অব্যৱস্থা ঃ** শিক্ষা ব্যৱস্থা মানদণ্ড কমাৰ অন্য এটা লেখত লবলগীয়া কাৰণ হ'ল যে সামাজিক অৱস্থা কল্যাণকামী ৰাষ্ট্ৰ ব্যৱস্থাত ই অতি বিপজ্জনক কাৰক। ৰাজনীতিৰ পৰা মুক্ত অৱস্থাইহে দেশৰ ছাত্ৰ-ছাত্ৰীসকলক নাগৰিক কৰি গঢ়ি তোলাত সহায় কৰিব। ৰাষ্ট্ৰৰ গুৰিয়ালসকলে শিক্ষা ব্যৱস্থাৰ ওপৰত নিজৰ স্বাৰ্থ আৰু প্ৰতিপত্তি অব্যাহত ৰাখিবলৈ গৈ সমগ্ৰ শিক্ষা ব্যৱস্থাটোক বিপাঙত পেলাইছে। কিন্তু এইটো এটা পৰিতাপৰ কথা।

নিজৰ স্বাৰ্থ পুৰণৰ বাবে অন্যান্য সহায়িকা কিতাপবোৰে কিতাপৰ বজাৰ ছানি ধৰিছে। কিন্তু এইক্ষেত্ৰত কৰ্তৃত্বমহলৰ বাধা নিষেধৰ পৰিৱৰ্তে আপোচহে পৰিলক্ষিত হোৱা দেখা যায়। ফলত ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ ক্ষেত্ৰত আচল বস্তু বিচাৰি পাবলৈ সক্ষম নহয়।

উপযুক্ত ব্যক্তিক অনুপযুক্ত কৰি কেৱল প্ৰমাণ পত্ৰৰ ভিত্তিতে, অনুপযুক্ত ব্যক্তিক শিক্ষকৰ পদত নিযুক্তি দি, উপযুক্ত ব্যক্তিক অন্য শিতানত নিযুক্তি দি শিক্ষা ব্যৱস্থাৰ ওপৰত মাধমাৰ মাৰিছে।

কৰ্তৃপক্ষ আৰু ৰাজনৈতিক ব্যক্তিৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে সঘনে শিক্ষকক বদলি কৰা কনিষ্ঠ শিক্ষকজনক পদোন্নতি কৰি আদৰ্শবান এজন কৃতি শিক্ষকক মানসিক ভাৱে শিক্ষা দানৰ প্ৰতি অনিচ্ছা ভাব প্ৰকাশ কৰোৱা, শিক্ষানুষ্ঠানবোৰত আৱশ্যকীয় শিক্ষাদানৰ সজুলিৰ অভাৱ, অপৰিচিন্ন পৰিৱেশ ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ আদিয়ে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত ব্যাহত কৰা দেখা যায়। ফল স্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা দেখা যায়।

অন্যহাতেদি শিক্ষা ব্যৱস্থাৰ লগত সংগতিপূৰ্ণ খেলা-ধূলা, গীত-মাত, কলা-সংস্কৃতি, ভ্ৰমণ, সহযোগী মনোভাব, দলীয় ঐক্য, নেতৃত্বৰ প্ৰতি অনুৰাগ আদি সহপাঠ্যক্ৰমৰ বিশেষ প্ৰয়োজন। কিন্তু চৰকাৰী ৰঙাফিটা, ৰাজনীতি দালালৰ হস্তক্ষেপ, তথা কৰ্তৃপক্ষৰ অমনোযোগিতা আদিৰ বাবে এই সা-সুবিধা ছাত্ৰ-ছাত্ৰীৰ ওচৰ নাপায়। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলে এনে সৎ বস্তুবোৰৰ আঁতৰত থাকিব লগাত পৰে ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিকেন্দ্ৰীক অমনোযোগী, অসহিষ্ণু, অপৰাধ প্ৰৱণ হৈ পৰে। সেয়ে পৰীক্ষাবিলাকত তথা শিক্ষকৰ ওচৰত ছাত্ৰ-ছাত্ৰীয়ে অসৎ আচৰণ কৰিবলৈ আগ্ৰহী হোৱা দেখা যায়।

# বিশ্বকাপ '৯৪

শ্ৰীৰূপজ্যোতি দত্ত
*উঃ মাঃ ২য় বৰ্ষ*

আমেৰিকাত অনুষ্ঠিত পঞ্চাদশ বিশ্বকাপ ফুটবল সমাৰোহ হৰ্ষ-বিষাদ ও প্ৰচণ্ড প্ৰতিদ্বন্দ্বিতাৰে অন্ত পৰিল। বিভিন্ন আশা-আকাংখা, জল্পনা-কল্পনাৰ সামৰণিমাৰি যোৱা ১৮জুলাইত ভাৰতীয় সময় মতে পুৱতি নিশা লজ এঞ্জেলচৰ ৰ'জবল ষ্টেডিয়ামৰ ঘাঁহনিত ফুটবলৰ 'কলা মুকুতা' পেলেৰ দেশ ব্ৰাজিলে চতুৰ্থবাৰ বিশ্বকাপ বিজয়ী ইতিহাস ৰচনা কৰিলে- ৩৪,৩৮ আৰু ৮২ ৰ বিজয়ী ইটালিক ট্ৰাইবেকাৰত ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি।

ফুটবল বিশেষজ্ঞ সকলৰ মতে এইবাৰৰ হট ফেভাৰিট দল হিচাপে প্ৰথমৰে পৰা উচ্চাৰিত হৈ আছিল ব্ৰাজিল, আৰ্জেণ্টিনা, জাৰ্মানি, ইটালি, কলম্বিয়া, আৰু গুলিট, বাষ্টেনৰ দেশ নেদাৰলেণ্ড। কিন্তু সকলোৰে কল্পনাৰ আলফুলীয়া কাৰেং চুৰমাৰ কৰি জুলেৰিমে কাপ চিৰ দিনৰ বাবে দখল কৰা ব্ৰাজিলে অপ্ৰতিৰোধ্য খেলেৰে পঞ্চাদশ বিশ্বকাপ বিজয়ৰ মুকুত লাভ কৰে।

বিগত ১৪ খন বিশ্বকাপত ব্ৰাজিল, ইটালি আৰু জাৰ্মানীয়ে তিনিবাৰকৈ, আৰ্জেণ্টিনা আৰু উৰুগুৱেই দুবাৰকৈ আৰু নেদাৰলেণ্ডে এবাৰকৈ চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছিল।

যোৱাবাৰৰ দৰে এইবাৰো বিশ্বকাপত মুঠ ২৪ টা টিমে অংশ গ্ৰহণ কৰিছিল। এই টিমসমূহৰ ভিতৰত এচিয়াক প্ৰতিনিধিত্ব কৰা চৌডি আৰৱ আৰু দক্ষিণ কোৰিয়াও উল্লেখযোগ্য। উক্ত ২৪ টা টিমক মুঠ ৬ টা গ্ৰুপত ভাগ কৰিছিল।

গ্ৰুপ A ত আছিল চুইজাৰলেণ্ড, ৰোমানিয়া, কলম্বিয়া আৰু ঘৰুৱা দল আমেৰিকা। এই খেলসমূহ ১৮ জুনৰপৰা ২২ জুনলৈ অনুষ্ঠিত হয়। A গ্ৰুপত ৰোমানিয়াই কলম্বিয়াক (৩-১), আমেৰিকাক (১-০) গ'লত পৰাস্ত কৰে। কিন্তু চুইজাৰলেণ্ডৰ হাতত (৪-১) গলত পৰাজিত হয় আৰু ৰোমানিয়াই ৬ পইণ্ট লাভ কৰি শীৰ্ষ স্থান পায়। চুইজাৰলেণ্ডে ৰোমানিয়াক (৪-১) আমেৰিকাই কলম্বিয়াক (২-১) আৰু চুইজাৰলেণ্ডৰ লগত ড্ৰ (১-১) খেলি চুইজাৰলেণ্ড আৰু আমেৰিকাই ৪ পইণ্টকৈ ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

'B' গ্ৰুপত আছিল ব্ৰাজিল, ৰাছিয়া, কেমেৰুণ আৰু চুইডেন। ১৯ জুনৰপৰা ২৪ জুনলৈ চলা এই গ্ৰুপৰ খেলসমূহ বিশেষ আকৰ্ষণীয় আছিল। ইয়াত ব্ৰাজিলে ৰাছিয়াক (২-০), কেমেৰুণক (৩-০) গলত পৰাভূত কৰে। কিন্তু চুইডেনৰ লগত ড্ৰ খেলিবলৈ সক্ষম হয় আৰু ব্ৰাজিলে ৭পইণ্ট লাভ কৰে। চুইডেনে ৰাছিয়াক (৩-১) আৰু কেমেৰুণৰ বিৰুদ্ধে (২-২) ড্ৰ খেলি ৫ পইণ্ট লাভ কৰি ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

'C' গ্ৰুপত আছিল জাৰ্মানী, বলিভিয়া, স্পেইন ও দক্ষিণ কোৰিয়া। উক্ত খেলসমূহ ১৭ জুনৰপৰা ২৭ জুনলৈ অনুষ্ঠিত হয়। এই গ্ৰুপত জাৰ্মানীয়ে বলিভিয়াক (১-০), দক্ষিণ কোৰিয়াক (৩-২) আৰু স্পেইনৰ বিৰুদ্ধে ড্ৰ খেলি ৭ পইণ্ট লাভ কৰে। স্পেইনে বলিভিয়াক (৩-১), দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ড্ৰ খেলি ৫ পইণ্ট লাভ কৰি ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

গ্ৰুপ 'ডি'ত আছিল আৰ্জেণ্টিনা, গ্ৰীছ, বুলগেৰিয়া আৰু আফ্ৰিকাৰ 'গ্ৰীন ঈগল' নাইজেৰিয়া'। ২১ জুনৰপৰা ২৬ জুনলৈ অনুষ্ঠিত হোৱা এই খেলসমূহত আৰ্জেণ্টিনাই গ্ৰীছক (৪-০), নাইজেৰিয়াক (২-১) বুলগেৰিয়াৰ হাতত (০-২) গলত পৰাভূত হয়।

নাইজেৰিয়াই বুলগেৰিয়াক (৩-০), গ্ৰীছক (২-০) আৰু বুলগেৰিয়াই গ্ৰীছক (৪-০), আৰ্জেণ্টিনাক (২-০) গলত পৰাস্ত কৰি ৬ পইণ্টকৈ লাভ কৰি আৰ্জেণ্টিনা, নাইজেৰিয়া আৰু

বুলগেৰিয়াই ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

'E' গ্ৰুপত আছিল আয়াৰলেণ্ড, নৰৱে, মেক্সিকো আৰু তিনিবাৰ বিজয়ী ইটালি। ১৮ জুনৰপৰা ২৮ জুনলৈ চলা এই খেলসমূহত ইটালিয়ে নৰৱেক (১-০) মেক্সিকোৰ বিৰুদ্ধে ড্ৰ (১-১), আয়াৰলেণ্ডৰ হাতত পৰাজিত হয় (০-১) গলত। আয়াৰলেণ্ডে নৰৱেৰ লগত ড্ৰ (০-০) অন্যহাতে মেক্সিকোৱে আয়াৰলেণ্ডক (২-১) গলত পৰাস্ত কৰি ইটালি মেক্সিকো আৰু আয়াৰলেণ্ডে ৪ পইণ্টকৈ লাভ কৰি ২য় ৰাউণ্ডলৈ উন্নীত হয়।

গ্ৰুপ 'F'ত আছিল নেডাৰলেণ্ড, বেলজিয়াম, মৰক্কো আৰু এছিয়াৰ চৌডি আৰব। ১৯ জুনৰপৰা ২৯ জুনলৈ এই গ্ৰুপৰ খেলসমূহ অনুষ্ঠিত হয়। ইয়াত নেডাৰলেণ্ডে চৌডি আৰবক (২-১), মৰক্কোক (১-০) আৰু বেলজিয়ামৰ দ্বাৰা (১-০)ত পৰাস্ত হয়। বেলজিয়ামে মৰক্কোক (১-০) নেডাৰলেণ্ডক (১-০) ত চৌডি আৰবৰ হাতত পৰাজিত হয় (০-১) গলত। চৌডি আৰবে মৰক্কোক (২-১) বেলজিয়ামক (১-০) আৰু নেডাৰলেণ্ডৰ হাতত (২-১) গলত পৰাভূত হৈ 'এফ' গ্ৰুপৰ পৰা নেডাৰলেণ্ড, বেলজিয়াম আৰু চৌডি আৰবে ৬ পইণ্টকৈ লাভ কৰি ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

এনেকৈয়ে ২৪ টা দলৰ ভিতৰত ১৬ টা দলে ২য় ৰাউণ্ডলৈ প্ৰৱেশ কৰে। ২য় ৰাউণ্ডৰ খেলসমূহ ২ জুলাইৰপৰা ৫ জুলাইলৈ আৰম্ভ হয়।

২ জুলাই, জাৰ্মানীৰ দ্বাৰা বেলজিয়াম (৩-২) আৰু ৰোমানিয়াৰ দ্বাৰা আৰ্জেণ্টিনা (৩-২)ত পৰাস্ত হয়। ৩ জুলাই, স্পেইনৰ হাতত চুইজাৰলেণ্ডে (৩-০) গলত আৰু চুইডেনৰ হাতত চৌডি আৰব (৩-১) গলত পৰাজিত হয়।

৪ জুলাই হলেণ্ডৰ দ্বাৰা আয়াৰলেণ্ড (২-০) গলত ও ব্ৰাজিলৰ দ্বাৰা আমেৰিকা (১-০) গলত পৰাভূত হয়।

৫ জুলাই, ইটালীয়ে নাইজেৰিয়াক (২-১) গলত আৰু বুলগেৰিয়াই মেক্সিকোক (৪-২) গলত হৰুৱাই। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ অন্যতম ফেভাৰিত দল কলম্বিয়াই প্ৰথম ৰাউণ্ডতে বিদায় লব লগা হ'ল।

দ্বিতীয় পৰ্য্যায়ৰ প্ৰচণ্ড প্ৰতিদ্বন্দ্বিতামূলক খেল সমূহৰপৰা ব্ৰাজিল, ইটালি, স্পেইন, জাৰ্মানী, নেডাৰলেণ্ড, ৰোমানিয়া আৰু চুইডেন ও বুলগেৰিয়াই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। দুখৰ বিষয় যে মাৰাদোনাৰ বিদায়ৰ লগে লগে আৰ্জেণ্টিনাৰ দলেও ৰোমানিয়াৰ হাতত পৰাজিত হৈ ২য় ৰাউণ্ডৰপৰা বিদায় লব লগা হয়।

৯ জুলাইত তিনিবাৰ চেম্পিয়ন ইটালিয়ে স্পেইনক (২-১) গলত আৰু তিনিবাৰ চেম্পিয়ন ব্ৰাজিলে এবাৰ চেম্পিয়ন নেডাৰলেণ্ডক (৩-২) গলত পৰাস্ত কৰি চেমি ফাইনেললৈ প্ৰৱেশ কৰে।

১০ জুলাইত চুইডেনে ৰোমানিয়াক (১-০) গলত ও বুলগেৰিয়াই যোৱাবাৰৰ চেম্পিয়ন জাৰ্মানিক (২-১) গলত পৰাভূত কৰি চেমিফাইনেলত প্ৰৱেশ কৰি অধিক চাঞ্চল্যৰ সৃষ্টি কৰে। এইদৰে ব্ৰাজিল, ইটালি, বুলগেৰিয়া আৰু চুইডেনে চেমিফাইনেলত প্ৰৱেশ কৰে।

১৩ জুলাইত চেমিফাইনেল দুখন অনুষ্ঠিত হয়। প্ৰথমখনত বিশ্ববিখ্যাত ইটালি আৰু বুলগেৰিয়াৰ মাজত অনুষ্ঠিত হয়। য'ত "ৰবাৰ্ট বাজ্জিঅ'ৰ দুটা গলেৰে জয়ী হয় ইটালি আৰু বুলগেৰিয়াৰ বিশ্বকাপ জয়ৰ আশা, আশা হৈ ৰ'ল। দ্বিতীয়খন চেমিফাইনেলত "ৰোমাৰিঅ"ৰ একমাত্ৰ গলেৰে পেলেৰ দেশ ব্ৰাজিলে চুইডেনক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

১৭ জুলাইত তৃতীয় আৰু চতুৰ্থ স্থান প্ৰাপ্তিৰ বাবে হোৱা খেলত মুখামুখী হয় চেমি ফাইনেলত পৰাজিত হোৱা চুইডেন আৰু বুলগেৰিয়া। জাৰ্মানিৰ দৰে শক্তিশালী দলক পৰাস্ত কৰা বুলগেৰিয়াক চুইডেনৰ উপৰ্য্যপৰি আক্ৰমণে চুৰ্ণ বিচুৰ্ণ কৰি পেলায়। চুইডেনৰ থমাছ, ব্ৰালিন, হাকান, মাইলণ্ড, লাৰচন আৰু কেনেচ এণ্ডাৰচনে একোটাকৈ গল দি বুলগেৰিয়াৰ তৃতীয় স্থানৰ আশাও ধ্বংস কৰে।

অৱশেষত নিজৰ যোগ্যতা অনুসৰি বিশ্বৰ সবাতোকৈ শক্তিশালী দলৰূপে নিজক প্ৰতিষ্ঠা কৰিবলৈ ১৮ জুলাইত ৰুৱোজ বাউল ষ্টেডিয়ামত আমেৰিকাৰ সময়মতে দিনৰ ১২-৪৫ বজাত হাংগেৰীৰ ৰেফাৰী চানদুৰ পুলৰ সংকেত মতে আৰম্ভ হ'ল বিশ্বৰ দুটা বিখ্যাত দল নীলা ৰঙৰ জাৰ্চী পৰিহিত ইটালি আৰু হালধীয়া ৰঙৰ জাৰ্চী পৰিহিত ব্ৰাজিলৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা। সমগ্ৰ ফুটবলপ্ৰেমী দৰ্শকে উৎকণ্ঠাৰে বাট চাই ৰ'ল চতুৰ্থবাৰ চেম্পিয়ন কোন হ'ব তালৈ। দুয়োদলেই

উপৰ্যুপৰি আক্ৰমণ ৰচনাৰে খেলৰ উত্তেজনা ক্ৰমাৎ বৃদ্ধি কৰিবলৈ ধৰিলে। কিন্তু নিৰ্ধাৰিত সময়ত কোনো পক্ষই গল দিয়াত সক্ষম নহল। ফলস্বৰূপে প্ৰথমবাৰৰ বাবে বিশ্বকাপ ফুটবল ফাইনেলত অতিৰিক্ত সময়ৰ প্ৰয়োজন হয়। অতিৰিক্ত সময়ত ব্ৰাজিল দলে আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হলেও গল দিয়াত বিফল হয়। অৱশেষত ইউৰোপ আৰু দক্ষিণ আমেৰিকাৰ এই দুই শক্তিৰ শ্ৰেষ্ঠত্ব নিৰ্ধাৰণৰ বাবে ট্ৰাইবেকাৰৰ প্ৰয়োগ কৰে। ট্ৰাই বেকাৰত ব্ৰাজিলৰ হৈ ৰোমাৰিঅ', ডুংগা, ব্ৰাংকো, আৰু ইটালিৰ হৈ এলবাৰটিনি আৰু ইভানিয়ে এটাকৈ গল দিয়ে। স্বপ্নৰ নায়ক তথা প্ৰতিযোগিতাৰ অন্যতম আকৰ্ষণীয় খেলুৱৈ "ৰবাৰ্ট" বাজ্জিঅ'ই শেষৰটো স্পট গল বাৰৰ ওপৰেৰে মাৰি পঠিওৱাত ফুটবল বিশেষজ্ঞ তথা ক্ৰীড়াপ্ৰেমীসকলে কৰি অহা নানান মতামত তথা জল্পনা কল্পনাৰ সামৰণি পৰিল।

৯৪ বিশ্বকাপৰ বিশেষ আকৰ্ষণ আছিল ফিফাই ৰেফাৰীসকলৰ ওপৰত প্ৰয়োগ কৰা বাধ্যবাধকতা। যাৰ ফলত ৰেফাৰীসকলে অলপ হলেও সাৱধানতা অৱলম্বন কৰিছিল।

এইবাৰ বিশ্বকাপত এনে দুটা করুণ ঘটনা ঘটিল যিটো আগতে ঘটা নাছিল। ১৯৯৪ চনৰ ৩০ জুন তাৰিখটোত বিশ্বৰ সবাতোকৈ জনপ্ৰিয় খেল ফুটবলৰ বুৰঞ্জীত এক করুণ দিন হিচাপে চিহ্নিত হৈ ৰব। এই তাৰিখটোতেই বিশ্বৰ এজন শ্ৰেষ্ঠ খেলুৱৈ আৰ্জেণ্টিনা দলৰ দলপতি ডিয়েগো মাৰাডোনাক 'ড'পটেষ্ট'ত ফিফাৰ নিষিদ্ধ ড্ৰাগছ "এফেড্ৰিন" ব্যৱহাৰ কৰাৰ বাবে বিশ্ব ফুটবল নিয়ন্ত্ৰণ সন্থাই বিশ্বকাপ '৯৪ ৰ পৰা বহিষ্কাৰ কৰিলে। তাতোকৈ দুখৰ বিষয় হ'ল আমেৰিকাৰ আৰু কলম্বিয়াৰ মাজত হোৱা খেলত কলম্বিয়াৰ মুখ্য ডিফেন্দাৰ এন্দ্ৰোভএচকবাৰে এটা চেমচাইড গল দিয়াৰ বাবে ২ জুলাইত গুলীৰ চিকাৰ হল বাজিত হৰা কলম্বিয়াৰ কুখ্যাত ড্ৰাগছ মাফিয়া হামবাৰ্গে মনোজ ফাষ্টোৰ, যিটো ফুটবলৰ ইতিহাসত মচিব নোৱাৰা চেকা হৈ ৰব।

সকলোৰে ভবাৰ দৰে ৰুছিয়াৰ দলে খেলৰ প্ৰথমাৰ্ধতে বিদায় ললে সঁচা কিন্তু ৰুছিয়াৰ ছাবষ্টিটিউট ফৰৱাৰ্ড অলেগ চালেংকোৱে কেমেৰুণৰ বিৰুদ্ধে 'বি' গ্ৰুপৰ শেষৰখন খেলত ১৬, ৪১, ৪৫, ৭৩ আৰু ৭৫ মিনিটত একেৰাহে দিয়া ৫টা গলৰ কথা বিশ্বকাপ ফুটবলৰ বুৰঞ্জীত উজ্জ্বল আখৰেৰে লিপিবদ্ধ হৈ ৰব। এইবাৰ বিশ্বকাপত চালেংকোৰ গলৰ সংখ্যা হ'ল ৬ টা। উক্ত খেলখনত কেমেৰুণৰ ৰজাৰ মিল্লাই ৪২ বছৰ বয়সত খেলি অন্য এক অভিলেখ স্থাপন কৰে।

বিশ্বকাপৰ খেলসমূহলৈ মনত পেলালে বেয়া লাগে জাৰ্মানী, আৰ্জেণ্টিনাৰ দৰে প্ৰসিদ্ধ দলক পৰাস্ত কৰিব পৰা বুলগেৰিয়ালৈ। দুখ লাগে ৬ টা কৈ গল দিবলৈ সক্ষম হোৱা সেই দলৰ দুৰ্দান্ত ষ্ট্ৰাইকাৰ ষ্টাইকভলৈ, যাৰ বিশ্বকাপ জয় তথা শ্ৰেষ্ঠ খেলুৱৈ হোৱাৰ কল্পনা কল্পনাই হৈ ৰ'ল।

এইবাৰ বিশ্বকাপত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে সোণৰ বল লাভ কৰে ব্ৰাজিলৰ ৰটাৰ ৰোমাৰিঅ'ই । ৰূপৰ তথা ব্ৰঞ্জৰ বল লাভ কৰে ইটালিৰ ৰটাৰ ৰবাৰ্ট বাজ্জিঅ' আৰু বুলগেৰিয়াৰ ৰটাৰ ষ্টাইকভে।

মুঠ চাৰিটা বছৰ অপেক্ষাৰ পিছত ১৯৯৮ চনত ফ্ৰান্সত হ'ব লগা বিশ্বকাপ প্ৰতিযোগিতাত চতুৰ্থবাৰ চেম্পিয়ন ব্ৰাজিলৰ হাতৰপৰা এই ট্ৰফি কোনে হস্তগত কৰিব তাৰ বাবে অপেক্ষা কৰক। □

## আমেৰিকাৰ বিশ্বকাপৰ কিছু পৰিসংখ্যা ঃ

১) মুঠ খেল ৫২খন।
২) মুঠ টিম ২৪ টা।
৩) মুঠ গল ১৪৬ টা।
৪) শ্ৰেষ্ঠ খেলুৱৈ- ৰোমাৰিঅ' (ব্ৰাজিল)
৫) বয়সস্থ খেলুৱৈ- ৰজাৰ মিল্লা (কেমেৰুণ) (৪২ বছৰীয়া)
৬) শ্ৰেষ্ঠ খেল- ব্ৰাজিল ও হলেণ্ড বা নেদাৰলেণ্ডৰ মাজৰ কোৱাৰ্টাৰ ফাইনেল।
৭) শ্ৰেষ্ঠ গল ব্ৰাইৰাণৰ (চৌডি আৰব)

**ষ্টেডিয়ামসমূহৰ নাম, চহৰ আসনৰ পৰিমাণ**

| ষ্টেডিয়ামৰ নাম | চহৰ | আসন |
|---|---|---|
| ১) ফক্স বোৰো ষ্টেডিয়াম | বষ্টন চহৰ | ৬১,০০০ খন |
| ২) চৌলজাৰ ফিল্ড | চিকাগো | ৬৬,৮২৪ খন |
| ৩) বটনবোল | ডলাছ | ৬৭,৫০০ খন |
| ৪) পন্টিয়াক চিলভাৰডোম | ডেট্ৰয়ত | ৪০,০০০ খন |
| ৫) ৰোজ বাউল | লছ এঞ্জেলচ | ১,০২,০৮৩ খন |
| ৬) জায়েণ্ট | নিউজাৰ্ছি | ৭৬,৮৯১ খন |
| ৭) চিটৰাচবোল | আৰলাণ্ডো | ৭০,৮৯১ খন |
| ৮) ষ্ট্ৰেন ফোড | ছানফ্ৰান্সিচকো | ৮৬,০১৯ খন |
| ৯) আৰ কে এফ | ৱাশ্বিংটন ডিছি | ৫৬,৫০০ খন |